RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

জাননী

'অসম ভূমি'ৰ সমূহ লেখক-লেখিকা, পাঠুৱৈ, এজেণ্ট, বিজ্ঞাপন দাতাৰ লগতে অসমবাসী ৰাইজলৈ শাৰদীয় দুর্গা পূজাৰ শুভেচ্ছা জনালো। দুর্গা পূজাৰ বন্ধৰ বাবে আমাৰ কাকতৰ পৰৱর্তী সংখ্যা ২১ অক্টোবৰৰ সলনি ২৮ অক্টোবৰত প্রকাশ পাব।

কার্যাধ্যক্ষ- 'অসম ভূমি'

অসম ভূমি
জাতীয় স্বার্থত দায়বদ্ধ

■ Vol:14 ■ Issue: 11 ■ Guwahati ■ Wednesday ■ 14 October, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ১১ ■ গুৱাহাটী ■ বুধবাৰ ■ ২৬ আহিন, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা

মুখ্যমন্ত্রীৰ অধ্যক্ষতাত লোকসেৱা ভৱনত জিলা আয়ুক্তসকলৰ সৈতে গুৰুত্বপূর্ণ বৈঠক

নৱেম্বৰত পঞ্চায়তে পঞ্চায়তে খেল মহাৰণ

ষ্টাফ ৰিপৰ্টাৰ ঃ অহা নৱেম্বৰ মাহত ৰাজ্যত পুনৰ অনুষ্ঠিত হ'ব খেল মহাৰণ। মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ অধ্যক্ষতাত যোৱা সোমবাৰে লোকসেৱা ভৱনত ৰাজ্যৰ সকলো জিলাৰ আয়ুক্তসকলৰ সৈতে অনুষ্ঠিত পর্যালোচনা ■ *দুই পৃষ্ঠাত*



শৰতৰ স্নিগ্ধ বুকুত শক্তিৰ বন্দনা

■ চন্দন কুমাৰ নাথ

ঋতুচক্রৰ আৱর্তনত শৰতৰ আগমন কেৱল মাত্র এটা ভৌগোলিক বা জলবায়ুৰ পৰিৱর্তনেই নহয়, ই মানৰ মনন, আধ্যাত্মিক চেতনা আৰু সাম্প্রদায়িক বান্ধোনৰ এক গভীৰ পুনৰুজ্জীৱন। বাৰিষাৰ ধাৰাসাৰ বৰষুণ, মেঘৰ গাজনি আৰু প্লাৱিত নদী-উপত্যকাৰ সন্ত্রাসক বিদায় দি শৰতে লৈ আহে এক প্রশান্ত, নির্মল আৰু স্নিগ্ধ পৰিৱেশ। অসম তথা সমগ্র পূব ভাৰতৰ সমাজ-জীৱনত শৰতৰ এই প্রাকৃতিক পৰিৱেশটোৰ লগত ওতঃপ্রোতভাৱে সাঙোৰ খাই আছে শক্তি-আৰাধনাৰ মহা মহোৎসৱ, শাৰদীয় দুর্গা পূজা। পু�ৱাৰ কঁহুৱা বনৰ মৃদু দোলোনি, শেৱালিৰ মনপ্রাণ জুৰোৱা সুবাস আৰু নীলাকাশত শুভ্র মেঘৰ খণ্ডবোৰে মনত এক স্বতঃস্ফূর্ত আনন্দৰ শিহৰণ তোলে। শৰতৰ এই প্রাকৃতিক পটভূমি আৰু দুর্গা পূজাৰ আনন্দ এক অবিচ্ছেদ্য সমীকৰণ, য'ত প্রকৃতিৰ স্নিগ্ধতা আৰু মানৱীয় উল্লাস মিলি একাকাৰ হৈ পৰে। নৃতাত্ত্বিক আৰু ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে শক্তি পূজাৰ মূল ভিত্তি নিহিত হৈ আছে প্রকৃতি আৰু নাৰীশক্তিক কেন্দ্র কৰি গঢ়ি উঠা প্রাচীন কৃষিজীৱী সমাজৰ বিশ্বাসৰ মাজত। ■ *১০ পৃষ্ঠাত*

ডিমা হাছাওত কৃষি-জলসিঞ্চন বিভাগৰ কাম-কাজৰ পর্যালোচনা মন্ত্রী পীযুষ হাজৰীকাৰ



হাফলং ঃ অসম চৰকাৰৰ কৃষি আৰু জলসিঞ্চন মন্ত্রী পীযুষ হাজৰীকাই যোৱা সোমবাৰে হাফলঙত ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদৰ সন্মিলন কক্ষত অনুষ্ঠিত এখন বৈঠকত জিলাখনৰ কৃষি আৰু জলসিঞ্চন বিভাগৰ চলি থকা কাম-কাজ তথা উন্নয়নমূলক পদক্ষেপসমূহৰ পর্যালোচনা কৰে। বৈঠকত জিলাখনৰ কৃষি আৰু উদ্যানশস্যৰ সম্ভাৱনা, জলসিঞ্চন আন্তঃগাঁথনিৰ উন্নয়ন আৰু কৃষকৰ আয় বৃদ্ধিৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰা হয়। ডিমা হাছাও জিলাত তৈলপাম খেতিৰ সম্ভাৱনাৰ কথা উল্লেখ কৰি মন্ত্রীগৰাকীয়ে কয় যে চলিত বর্ষত জিলাখনত প্রায় ৪,১৯৩ হেক্টৰ ভূমি ■ *দুই পৃষ্ঠাত*


আন্তঃৰাষ্ট্রীয় দুর্যোগজনিত বিপদ-হ্রাস দিৱস আৰু অসমৰ বান-ভূমিকম্পৰ প্রত্যাহ্বান

■ ড° সীমান্ত বৰুৱা

'দুর্যোগৰ পিছত সাহায্য নহয়, দুর্যোগৰ আগতেই প্রস্তুতি' এই কথাষাৰ কেৱল এটা সজাগতা বাণীয়েই নহয়, ই হৈছে আধুনিক দুর্যোগ ব্যৱস্থাপনাৰ অন্যতম মূল দর্শন। প্রতি বছৰে ১৩ অক্টোবৰ দিনটো বিশ্বজুৰি আন্তঃৰাষ্ট্রীয় দুর্যোগজনিত বিপদ-হ্রাস দিৱস হিচাপে পালন কৰা হয়। ৰাষ্ট্রসংঘৰ উদ্যোগত পালন কৰা এই দিৱসৰ মূল উদ্দেশ্য হৈছে প্রাকৃতিক আৰু মানৱসৃষ্ট দুর্যোগৰ ফলত হোৱা জীৱন, সম্পত্তি, পৰিৱেশ আৰু অর্থনৈতিক ক্ষতি হ্রাস কৰা আৰু এখন দুর্যোগৰ সহনশীল সমাজ গঢ়ি তোলা। প্রাকৃতিক দুর্যোগসমূহ সমাজলৈ কেতিয়াবা হঠাতে আহে, কিন্তু দুর্যোগৰ ক্ষয়ক্ষতি বহু ক্ষেত্রত হঠাতে সৃষ্টি নহয়। দুর্বল ঘৰ, অপৰিকল্পিত নগৰীকৰণ, নদীৰ স্বাভাৰিক গতিপথত বাধা, পাহাৰ কটা, বনাঞ্চল ধ্বংস, জলবায়ু পৰিৱর্তন আৰু আগতীয়া সতর্কতাৰ অভাৱ আদিবোৰে প্রাকৃতিক বিপদক বৃহৎ দুর্যোগলৈ ৰূপান্তৰিত কৰে। সেয়েহে দুর্যোগ ব্যৱস্থাপনাৰ আধুনিক ধাৰণাই কেৱল দুর্যোগৰ পিছত উদ্ধাৰ আৰু সাহায্যৰ ওপৰত গুৰুত্ব নিদিয়ে। ই বিপদ চিনাক্তকৰণ, আগতীয়া সতর্কতা, প্রস্তুতি, প্রশিক্ষণ আৰু ■ *১১ পৃষ্ঠাত*

ৰৰাক উপত্যকাত গেছ যোগান ব্যৱস্থা ক্ষিপ্রতৰ কৰাৰ নির্দেশ মন্ত্রী কৃষ্ণেন্দু পালৰ

ষ্টাফ ৰিপৰ্টাৰ ঃ ৰৰাক উপত্যকাৰ সামগ্রিক উন্নয়নৰ বাবে অসম চৰকাৰে বিভিন্ন পদক্ষেপ আৰু আঁচনি গ্রহণ কৰি আহিছে। ইয়াৰে লগত সংগতি ৰাখি সমগ্র ৰৰাক উপত্যকাত গেছ যোগান সেৱা ক্ষিপ্রতাৰে আৰম্ভ কৰাৰ উদ্দেশ্যে যোৱা সোমবাৰে ৰৰাক ■ *দুই পৃষ্ঠাত*



মহিলা-শিশু বিকাশ বিভাগৰ প্রথমখন ত্রৈমাসিক নিউজলেটাৰ মুকলি মন্ত্রী নেওগৰ



ষ্টাফ ৰিপৰ্টাৰ ঃ মহিলা আৰু শিশু বিকাশ তথা পর্যটন মন্ত্রী অজন্তা নেওগে যোৱা সোমবাৰে তেওঁৰ কার্যালয়ৰ সভাকক্ষত বিভাগটোৰ প্রথমখন ত্রৈমাসিক নিউজলেটাৰ আৰু সামাজিক আচৰণ পৰিৱর্তন সম্পর্কীয় কৌশলপত্র মুকলি কৰে। মন্ত্রীগৰাকীয়ে এই পদক্ষেপৰ বাবে বিভাগৰ লগতে এই কামত সহযোগ কৰা আই পি ই গ্লোবেলৰ প্রচেষ্টাক প্রশংসা কৰে। লগতে প্রধানমন্ত্রী মাতৃ বন্দনা যোজনা, বেটী বচাও বেটী ■ *দুই পৃষ্ঠাত*

প্রযোজক তপন লহকৰৰ ঘোষণা-বন্ধ নহয় কহিনুৰ থিয়েটাৰ

অসম ভূমি সেৱা, পাঠশালা ঃ অসমৰ নাট্য ক্ষেত্রৰ বৰপথাৰখনৰ অন্যতম চিনাকী নাম কহিনুৰ থিয়েটাৰ। নাট্যযোদ্ধা প্রয়াত ৰতন লহকৰৰ সুপৰিকল্পিত চিন্তা ধাৰাৰে জন্মলাভ কৰা কহিনুৰ থিয়েটাৰ শেহতীয়াকৈ নানা সমস্যাত জর্জৰিত হৈ আহিছে। ইয়াৰ মাজতে যোৱা শনিবাৰে কহিনুৰ থিয়েটাৰৰ প্রযোজক তপন লহকৰে থিয়েটাৰখন বন্ধ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছিল। এনে সময়তে কহিনুৰ থিয়েটাৰৰ অনেক শুভাকাংক্ষীয়ে আৱেগ বিহ্বল হৈ প্রযোজক তপন লহকৰক এনে ধৰনৰ সিদ্ধান্ত গ্রহণ নকৰিবলৈ অনুৰোধ জনাইছিল। ৰাইজৰ এই সিদ্ধান্তৰ প্রতি তপন লহকৰে সঁহাৰি জনাই তেওঁ পুনৰায় কহিনুৰ থিয়েটাৰ চলাই নিয়াৰ সিদ্ধান্ত গ্রহণ কৰে। উল্লেখ্য যে ■ *দুই পৃষ্ঠাত*



প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

নৱেম্বৰত পঞ্চায়তে

বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই গুৰুত্বপূৰ্ণ বৈঠকত মূলতঃ আগন্তুক খেল মহাৰণ ৩.০, মিছন বসুন্ধৰা ৪.০ আৰু ৰাজ্যৰ ঔদ্যোগিক পাম বা এলেকাসমূহৰ সৈতে জড়িত ৰাজহ সম্পৰ্কীয় বিষয়সমূহৰ পৰ্যালোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে আগন্তুক খেল মহাৰণ ৩.০ আয়োজনৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰাৰ লগতে এই বৃহৎ ক্ৰীড়া প্ৰতিযোগিতাখন সুচাৰুৰূপে আয়োজন কৰাৰ বাবে সকলো জিলা আয়ুক্তকে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। অহা ৭ নৱেম্বৰৰ পৰা গাঁও পঞ্চায়ত পৰ্যায়ত এই ক্ৰীড়া প্ৰতিযোগিতাসমূহ আৰম্ভ হ'ব। সকলো জিলাতে এই মহাৰণৰ বাবে অংশগ্ৰহণকাৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়া দ্ৰুত কৰি তুলিবলৈ তেওঁ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে এইবাৰৰ খেল মহাৰণত ১২ বছৰৰ অনূৰ্ধ্বসকলৰ বাবে শিশু ক্ৰীড়া সমাৰোহৰো আয়োজন কৰা হ'ব আৰু ইয়াৰ জৰিয়তে উদীয়মান ক্ৰীড়া প্ৰতিভা বিচাৰি উলিয়াই তেওঁলোকক উপযুক্ত প্ৰশিক্ষণ প্ৰদানৰ লগতে মাহিলি জলপানি প্ৰদানৰো ব্যৱস্থা কৰা হ'ব। এইবাৰ খেল মহাৰণৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতা গুৱাহাটীত অনুষ্ঠিত হ'ব আৰু ৯,৮০০ ৰো অধিক খেলুৱৈৰ অংশগ্ৰহণেৰে ব্যাপকতাৰে উদ্বোধনী-সামৰণী অনুষ্ঠানসহ এই প্ৰতিযোগিতা আয়োজনৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ অৱগত কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে মিছন বসুন্ধৰা ৪.০ৰ অধীনত সামৰি ল'বলগীয়া ভূমি-ৰাজহ সম্পৰ্কীয় বিষয়সমূহৰ বুজ লয়। এই অভিযানৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাত চলি থকা কৰ্মশালা আৰু প্ৰস্তাৱনা যাত্ৰাৰ অগ্ৰগতিৰ বুজ লৈ এই আলাপ-আলোচনাসমূহ সোনকালে সম্পূৰ্ণ কৰিবলৈ তেওঁ ৰাজহ বিভাগক নিৰ্দেশ দিয়ে। মিছন বসুন্ধৰাৰ পূৰ্বৰ সংস্কৰণসমূহত কেইবাখনো জিলাত বহুবোৰ ৰাজহ সম্পৰ্কীয় বিষয় নিষ্পত্তি নোহোৱাকৈ বাদ পৰি যোৱাৰ প্ৰসংগ উল্লেখ কৰি মিছন বসুন্ধৰা ৪.০ত এই বিষয়সমূহ সামৰি ল'বলৈ তেওঁ নিৰ্দেশ দিয়ে। এই অভিলাষী আঁচনিখনক অধিক জনমুখী তথা সৰল ৰূপত ৰূপায়ণৰ পদক্ষেপ ল'বলৈ তেওঁ ৰাজহ বিভাগ আৰু জিলা আয়ুক্তসকলক আহ্বান জনায়। তেওঁ চাহ বাগিচা এলেকাৰ ৰাইজক ভূমি পট্টা প্ৰদানৰ স্থিতিৰো পৰ্যালোচনা কৰে। ৰাজ্যৰ ঔদ্যোগিক ক্ষেত্ৰখনৰ দ্ৰুত উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীয়ে বৈঠকত ৰাজ্যৰ ঔদ্যোগিক পাম বা এলেকাসমূহৰ ৰাজহ সম্পৰ্কীয় বিষয়সমূহৰো পৰ্যালোচনা কৰে। বিনিয়োগকাৰীসকলক আকৰ্ষণৰ লগতে ন ন উদ্যোগ গঢ়ি তুলিব পৰাকৈ ৰাজ্যত এক বৃহৎ ঔদ্যোগিক ভূমি বেংক গঢ়ি তোলাৰ উদ্দেশ্যে নিজ নিজ জিলাত উপযুক্ত ভূমি চিনাক্ত কৰিবলৈ তেওঁ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে। এইক্ষেত্ৰত অব্যৱহৃত চৰকাৰী ভূমি, বেদখলকৃত ভূমি, ভূমি-সংৰক্ষণমূলক কাৰ্যকলাপৰ জৰিয়তে পুনৰুদ্ধাৰ কৰিব পৰা ভূমি আদি চিনাক্তকৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ জিলা আয়ুক্তসকলক আহ্বান জনায়। এই পৰ্যালোচনা বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্য সচিব ড° ৰবি কোটা, সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে জিলা আয়ুক্তসকল উপস্থিত থাকে।

মহিলা-শিশু বিকাশ বিভাগৰ প্ৰথমখন ত্ৰৈমাসিক নিউজলেটাৰ

পঢ়াও আৰু পোষণ অভিযানৰ দৰে বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে মহিলা আৰু শিশুৰ কল্যাণৰ হকে বিভাগটোৱে আগবঢ়োৱা অৱদানৰ শলাগ লয়। তেওঁ অংগনৱাড়ী কৰ্মীসকলকে ধৰি বিভাগটোৰ তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ সমাজৰ সৈতে সংযোগ স্থাপন আৰু সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত থকা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথাও উল্লেখ কৰে। উল্লেখ্য যে চলিত বিত্তীয় বৰ্ষত এতিয়ালৈকে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অধীনত এক লাখৰো অধিক যোগ্য মহিলাক পঞ্জীয়ন কৰা হৈছে। ত্ৰৈমাসিক নিউজলেটাৰখনত বিভাগটোৰ বিভিন্ন কাৰ্যকলাপ আৰু সাফল্যসমূহ সামৰি লোৱা হৈছে। আনহাতে, সামাজিক আচৰণ পৰিৱৰ্তন সম্পৰ্কীয় কৌশলপত্ৰখনে সমাজৰ বিভিন্ন পৰ্যায়ত সামাজিক আৰু আচৰণগত পৰিৱৰ্তন সাধনৰ বাবে কাৰ্যকৰী নিৰ্দেশনা প্ৰদান কৰিব। এই কৌশলপত্ৰত উল্লেখিত পদ্ধতিসমূহৰ ব্যৱহাৰ সন্দৰ্ভত প্ৰথমে নিৰ্বাচিত জিলাসমূহত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব আৰু পৰৱৰ্তী সময়ত সমগ্ৰ অসমতে ইয়াৰ সম্প্ৰসাৰণ কৰা হ'ব। অনুষ্ঠানত মহিলা আৰু শিশু বিকাশ বিভাগৰ অতিৰিক্ত মুখ্য সচিব মুকেশ কুমাৰ চাহু, সঞ্চালক গৌৰী শংকৰ শৰ্মা, আই পি ই গ্লোবেলৰ ৰাজ্যিক মুৰব্বী এম. নংয়াই হেইক্ৰুজামৰ লগতে অন্যান্য বিষয়াসকল উপস্থিত থাকে।

বৰাক উপত্যকাত গেছ যোগান ব্যৱস্থা ক্ষিপ্ৰতৰ কৰাৰ

উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৃষেন্দু পালৰ অধ্যক্ষতাত জনতা ভৱনত মন্ত্ৰীগৰাকীৰ কাৰ্যালয়ৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত উক্ত অঞ্চলটোৰ ঘৰুৱা ব্যৱহাৰৰ বাবে কেন্দ্ৰীভূত গেছ পাইপলাইন নিৰ্মাণৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা অনুষ্ঠিত কৰা হয়। বৰাক উপত্যকাৰ ৰাইজক সুলভ মূল্যত গেছ যোগান ধৰা আৰু স্থানীয় উদ্যোগসমূহক সহায় কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। লগতে মন্ত্ৰীগৰাকীয়ে সভাত উপস্থিত গেছ যোগানকাৰী প্ৰতিষ্ঠানৰ বিষয়াসকলক বৰাক উপত্যকাৰ তিনিওখন জিলা প্ৰশাসন তথা অন্যান্য বিভাগসমূহৰ লগত এক সমন্বয় ৰক্ষা কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ লগতে বিষয়াসকলক উল্লেখ কৰে যে এই প্ৰক্ৰিয়াত যিকণো অভাৱ অভিযোগ তথা সহযোগিতাৰ বাবে মন্ত্ৰীগৰাকী সদায় প্ৰস্তুত কাৰণ ভৌগলিক পৰিৱেশৰ প্ৰতি নজৰ ৰাখি আহি থকা শীতৰ সময়ত নিৰ্মাণ কাৰ্যৰ বাবে এই অঞ্চল উপযোগী সেয়েহে তেওঁ গেছ যোগানকাৰী প্ৰতিষ্ঠানৰ বিষয়াসকলক ক্ষিপ্ৰতাৰে কাম সম্পাদন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। ইয়াৰ উপৰিও মন্ত্ৰীগৰাকীয়ে উপস্থিত বিষয়া সকলক বৰাক উপত্যকাৰ চাহ বাগান এলেকা সমূহক এই প্ৰচেষ্টাৰ অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনায়। উক্ত বৈঠকত বৰাক উপত্যকা উন্নয়ন বিভাগৰ সচিব ৰোহন কুমাৰ ঝা, অসম গেছ কোম্পানী লিমিটেড, অ' এন জি চি, পূৰ্ব ভাৰতী গেছ প্ৰাইভেট লিমিটেড আৰু ইন্দ্ৰধনুষ গেছ গ্ৰীড লিমিটেডৰ প্ৰতিনিধি তথা জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে জনস্বাস্থ্য কাৰিকৰী আৰু পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ লগত পৃথক পৃথককৈ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকতে মন্ত্ৰী গৰাকীয়ে JJM আৰু SBM-Gৰ বৰ্তমানৰ অৱস্থিতি আৰু অগ্ৰগতি সম্পৰ্কে বিষয়া সকলৰ পৰা খতিয়ান গ্ৰহণ কৰে।

প্ৰযোজক তপন লহকৰৰ ঘোষণা-বন্ধ নহয় কহিনুৰ থিয়েটাৰ

তপন লহকৰে ছ'চিয়েল মিডিয়াযোগে এই সিদ্ধান্ত ৰাইজক অৱগত কৰে। তেওঁ ছ'চিয়েল মিডিয়াত প্ৰকাশ কৰে যে বছৰ বছৰ ধৰি আপোনালোকে কহিনুৰক মনৰ মাজত কঢ়িয়াই ফুৰিছে। আপোনালোকৰ এই মৰম, কহিনুৰৰ নাটকৰ প্ৰতি বিশ্বাস দেখি আৰু বেছি আৱেগিক হৈ পৰিছো। যোৱা শনিবাৰে সংবাদ মাধ্যম তথা ছ'চিয়েল মিডিয়াত এটা ঘোষণা কৰিছিলো কহিনুৰৰ যাত্ৰা সামৰণি মাৰিম। লগে লগে অজস্ৰ গুণমুগ্ধ আহি আমাৰ কাষত থিয় দিছে। পাঠশালাবাসী আগবাঢ়ি আহিছে। তাৰ বাবে আকৌ এবাৰ সকলোকে সেৱা জনাইছো। কিন্তু তাৰ লগে লগে আপোনালোকৰ মাজলৈ কিছুমান অজাতশত্ৰুৱে এটা বাতৰি বিয়পায় দিছে যে কহিনুৰ এই বছৰে আধা বাটতে বন্ধ হ'ব। তাৰ কাৰণে আহ্বায়ক সমিতিসমূহৰ মাজত দুশ্চিন্তা হোৱা পৰিলক্ষিত হৈছে। কিন্তু আমি আপোনালোকক জনাওঁ যে দৰ্শকৰ আশীৰ্বাদত কহিনুৰৰ যাত্ৰা সঠিকভাৱেই চলি আছে। এইটো নাট্যবৰ্ষৰ শেষলৈকে চলি থাকিব। আমাৰ নাটককেইখনকো দৰ্শকে আদৰি লৈছে, প্ৰশংসাৰে উপচাই পেলাইছে। এই বৰ্ষৰ আমাৰ যাত্ৰা আধা বাটত বন্ধ নহয়। তেওঁ ছ'চিয়েল মিডিয়াত আৰু প্ৰকাশ কৰি কয় মোৰ দেউতা ৰতন লহকৰৰ সপোনৰ এই অনুষ্ঠানটো অনাগত দিনলৈও চলি থাকিব। উল্লেখ্য যে অনাগত সময়ত হে গম পোৱা যাব অসমৰ ৰাইজৰ মৰমৰ থিয়েটাৰ কহিনুৰ থিয়েটাৰ আগৰ দৰেই চলি থাকিব নে এই থিয়েটাৰখন বন্ধ হৈ ইতিহাস হৈ পৰিব।

ডিমা হাছাওত কৃষি-জলসিঞ্চন বিভাগৰ কাম-কাজৰ

তৈলপাম খেতিৰ বাবে চিনাক্ত কৰি ইয়াৰ খেতি কৰা হৈছে। তেওঁ তৈলপাম খেতিৰ অধিক সম্প্ৰসাৰণৰ লগতে উদ্যানশস্যৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত কল, এপল বেৰ, আদা, ড্ৰেগন ফ্ৰুট আৰু আনাৰসৰ দৰে শস্যৰ খেতি বৃদ্ধিৰ বিষয়ে আলোচনা কৰা হয়। লগতে পাঁচৰ পৰা সাত লাখ পুলি বিতৰণৰ প্ৰস্তাৱৰ বিষয়েও আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে হিতাধিকাৰী চিনাক্তকৰণ আৰু আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। জলসিঞ্চন আন্তঃগাঁথনিৰ পৰ্যালোচনাৰ সময়ত বৈঠকত অৱগত কৰা হয় যে জিলাখনত বৰ্তমান ৮৪ টা জলসিঞ্চন আঁচনিৰ কাম সফলতাৰে চলি আছে, যাৰ জৰিয়তে প্ৰায় ৩,১৭০ হেক্টৰ কৃষিভূমি সামৰি লোৱা হৈছে। আনহাতে, প্ৰায় ১২,০০০ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰস্তাৱিত বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ (Externally Aided Projects) জৰিয়তে পাহাৰীয়া জিলাখনৰ জলসিঞ্চন ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব দিয়া হ'ব। তেওঁ কৃষি আৰু জলসিঞ্চন বিভাগৰ মাজত উন্নত সমন্বয় ৰক্ষা কৰিবলৈ বিষয়াসকলক আহ্বান জনোৱাৰ লগতে যোগ্য কৃষকসকলক পি এম-কিষাণ আঁচনিৰ পঞ্জীয়ন সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। জিলাখনত এই আঁচনিৰ অধীনত প্ৰায় ২২,০০০ কৃষকে সুবিধা লাভ কৰি আছে। পৰৱৰ্তী সময়ত মন্ত্ৰীগৰাকীয়ে চান্দপুৰ নগৰ, কালাচান্দত চলি থকা জলসিঞ্চন আঁচনিখন পৰিদৰ্শন কৰে। এই আঁচনিখনে ১২খন গাঁৱৰ ৩০০ হেক্টৰতকৈও অধিক কৃষিভূমি সামৰি লৈছে। ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গৰ্লোছা আৰু কৃষি তথা জলসিঞ্চন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ কাৰ্যক্ষমতা আৰু উপযোগিতা পৰীক্ষা কৰে। জিলাখনৰ কৃষি খণ্ডৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ উপযুক্ত স্থানসমূহত বৃহৎ জলসিঞ্চন প্ৰকল্প ৰূপায়ণৰ সম্ভাৱনা পৰীক্ষা কৰিবলৈ বিভাগীয় অভিযন্তাসকলক নিৰ্দেশ দিয়ে। পাছত মন্ত্ৰীগৰাকীয়ে হাডিংমা গুঞ্জুং ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী (FPC)-ও পৰিদৰ্শন কৰে। প্ৰায় ৫০০গৰাকী পঞ্জীয়নভুক্ত কৃষক থকা এই কৃষক উৎপাদক কোম্পানীটোৰ কৃষকসকলে আদা, হালধি, কল, তামোল, আনাৰস, অমিতা আদি বিভিন্ন শস্যৰ খেতি কৰে। কোম্পানীটোৱে অহা বছৰৰ ভিতৰত ভাৰতৰ প্ৰথমটো FPC হিচাপে ডেমিটাৰ প্ৰমাণপত্ৰ লাভ কৰাৰ লক্ষ্য গ্ৰহণ কৰা বিষয়টোও উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইয়াৰ জৰিয়তে বহনক্ষম আৰু বায়'ডাইনামিক কৃষি পদ্ধতিৰ প্ৰসাৰত নতুন সম্ভাৱনাৰ সৃষ্টি হ'ব বুলি আশা প্ৰকাশ কৰে। FPC-টোক অধিক শক্তিশালী কৰাৰ বাবে সম্ভাব্য সহায়, দক্ষতা বিকাশৰ প্ৰশিক্ষণ, উন্নত বজাৰ সংযোগ তথা কৃষকসকলে যাতে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰে, তাৰ বাবে প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে। এই ভ্ৰমণৰ সময়তে মন্ত্ৰীগৰাকীয়ে কৃষক তপন হাফলংবাৰৰ কৃষিভূমিও পৰিদৰ্শন কৰে আৰু তেওঁৰ কৃষিকাৰ্য তথা অভিজ্ঞতাৰ বিষয়ে মত বিনিময় কৰে। ইয়াৰ উপৰি মন্ত্ৰীগৰাকীয়ে পুৰণা কংকুৰী, হামৰিত থকা তৈলপাম খেতিৰ এখন পথাৰ পৰিদৰ্শন কৰি কৃষকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ তৈলপাম খেতিৰ প্ৰসাৰৰ লগতে কৃষকসকলৰ অতিৰিক্ত আয় নিশ্চিত কৰাৰ বাবে উপযুক্ত অন্যান্য শস্যৰ খেতি আৰু আন্তঃশস্য খেতিৰ সম্ভাৱনাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীৰ এই পৰ্যালোচনা বৈঠক আৰু ক্ষেত্ৰ পৰিদৰ্শনে ডিমা হাছাও জিলাৰ কৃষি খণ্ডৰ সম্ভাৱনাক পূৰ্ণাংগ ৰূপ দিয়াৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ প্ৰতিফলিত কৰে। কৃষি উৎপাদন বৃদ্ধি, জলসিঞ্চন আন্তঃগাঁথনিৰ উন্নয়ন, কৃষক উৎপাদক সংস্থাসমূহক শক্তিশালী কৰা আৰু চৰকাৰী কল্যাণমূলক আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ জৰিয়তে কৃষকসকলৰ জীৱন-জীৱিকাৰ মান উন্নত কৰাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰি আহিছে।

দৰঙামেলাত আৰনাই এম্পৰিয়াম উদ্বোধন-ৰেবছাইট মুকলি

পাঠশালাত দুদিনীয়াকৈ আবৃত্তি কর্মশালাৰ সামৰণি

অসম ভূমি, পাঠশালা ঃ উৎকর্ষ পাঠশালাৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত আবৃত্তি কর্মশালাৰ যোৱা দেওবাৰে সামৰণি পৰে। উল্লেখ্য যে পাঠশালা প্রেছ ক্লাৱৰ সভাকক্ষত অনুষ্ঠিত কর্মশালাত বজালী, বৰপেটা, বাক্সা আৰু নলবাৰী জিলাৰ প্রায় ৪০ গৰাকী প্রশিক্ষার্থীয়ে অংশগ্রহণ কৰাৰ লগতে কর্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি প্রশিক্ষণ প্রদান কৰে আবৃত্তি ৰত্ন তথা অসম আবৃত্তি মঞ্চৰ প্রতিষ্ঠাপক সভাপতি শান্তিছায়া শইকীয়া আৰু আবৃত্তি ৰত্ন তথা অসম আবৃত্তি মঞ্চৰ প্রকাশন সচিব ৰাজীৱ বল্লভ গোস্বামীয়ে। দ্বিতীয় দিনৰ কার্যসূচী বন্তি প্রজ্বলনৰে উদ্বোধন কৰি বি এইচ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° হেমন্ত ডেকাই উৎকর্ষ পাঠশালাই এনেধৰণৰ কর্মশালাৰ আয়োজন কৰি ছাত্র-ছাত্রীসকলৰ সুপ্ত প্রতিভা বিকাশৰ এক পথ দেখুৱালে বুলি মন্তব্য কৰে। উৎকর্ষ পাঠশালাৰ অধ্যক্ষ, বিশিষ্ট সাহিত্যিক তুতুল মানৰে আঁতধৰা অনুষ্ঠানত সমল ব্যক্তি দুয়োগৰাকীকে গামোচা, মানপত্র আৰু স্মাৰকৰে সম্বর্ধনা জনোৱা হয়। উৎকর্ষ পাঠশালাৰ বিষয়ববীয়া জিনা শর্মা, মেঘালী শর্মা, বর্ণালী পাটগিৰী, সোমনাথ পাটগিৰীকে ধৰি কেইবাগৰাকীও উপস্থিত থকা অনুষ্ঠানৰ অন্তত প্রশিক্ষার্থীসকলক অংশগ্রহণৰ প্রমাণ পত্র প্রদান কৰা হয়।





বিশ্বৰ বজাৰ দখলৰ লক্ষ্য ব্রাফেডৰ

■ **নয়নজ্যোতি দাস, তামুলপুৰ ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰঙামেলাত বড়োলেণ্ড আঞ্চলিক শীর্ষ শিপিনী আৰু হস্তশিল্পী সমবায় ফেডাৰেচন চমুকৈ ব্রাফেডৰ উদ্যোগত নৱনির্মিত 'আৰনাই এম্পৰিয়াম' আৰু প্রতিষ্ঠানটোৰ আনুষ্ঠানিক ৰেবছাইটৰ উদ্বোধন সফলতাৰে সম্পন্ন হয়। বিটিচি চৰকাৰৰ হস্ততাঁত আৰু বস্ত্রশিল্প বিভাগৰ কার্যবাহী সদস্য মহেশ্বৰ বসুমতাৰীয়ে এই বিশেষ এম্পৰিয়ামখন উদ্বোধন কৰাৰ লগতে বড়োলেণ্ডৰ সমৃদ্ধিশালী হস্ততাঁত, হস্তশিল্প আৰু সাংস্কৃতিক ঐতিহ্যক বিশ্ববাসীৰ সন্মুখত তুলি ধৰাৰ লক্ষ্যৰে প্রস্তুত কৰা আনুষ্ঠানিক ৰেবছাইটটোও (www.brawfed.org) ৰাইজৰ বাবে মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত ভাষণ প্রদান কৰি কার্যবাহী সদস্য মহেশ্বৰ বসুমতাৰীয়ে কয় যে এই আধুনিক বিপণী আৰু পদক্ষেপৰ জৰিয়তে সীমান্ত অঞ্চলৰ স্থানীয় শিপিনী আৰু হস্তশিল্পীসকল অর্থনৈতিকভাৰে স্বাৱলম্বী হোৱাৰ দিশত এক যুগান্তকাৰী বাট মুকলি হ'ব আৰু চুবুৰীয়া ভূটানৰ বিভিন্ন সামগ্রীৰ লগতে আমাৰ থলুৱা উৎপাদনে এক সুকীয়া মর্যাদা লাভ কৰিব। ইয়াৰ পাছতেই ব্রাফেডৰ অধ্যক্ষ অনিল বড়োৱে সম্বোধন কৰা এক গুৰুত্বপূর্ণ সংবাদমেলত সদৰী কৰে যে ব্রাফেডক কেৱল এটা পৰম্পৰাগত অনুষ্ঠান বা খুচুৰা বিক্রী কেন্দ্র হিচাপে নাৰাখি বড়োলেণ্ডৰ শিপিনীসকলক আন্তঃৰাষ্ট্রীয় বজাৰৰ সৈতে সংযোগ কৰাৰ বাবে এক সুদূৰপ্রসাৰী কার্যপন্থা গ্রহণ কৰা হৈছে। অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে যে বর্তমান বাক্সা জিলাৰ খৰুৱাজানত অৱস্থিত সমন্বিত বস্ত্র উদ্যানত ২৬টা কার্যকৰী শেডৰ ভিতৰত ইতিমধ্যে ১৬টা শেডত শিপিনীসকলে এৰী আৰু কপাহী সূতাৰে উৎপাদন আৰম্ভ কৰিছে আৰু যোৱা জুলাইত দায়িত্ব লোৱাৰ সময়ত উদ্যানখনত মাত্র দুগৰাকী শিপিনী থকাৰ বিপৰীতে বর্তমান ২৩ গৰাকীলৈ বৃদ্ধি পাইছে, যাক অতি শীঘ্রেই ৫০ গৰাকীলৈ উন্নীত কৰাৰ পৰিকল্পনা কৰা হৈছে। স্থানীয় উৎপাদিত এৰী ৰেচম আৰু হস্তশিল্পক বিশ্বৰ বজাৰত প্রতিষ্ঠা কৰাৰ বাবে অহা ১৯ৰ পৰা ১৭ অক্টোবৰলৈ নতুন দিল্লীৰ গ্রেটাৰ নয়ডাত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্রীয় হস্তশিল্প মেলাত ব্রাফেডে অংশগ্রহণ কৰিব। ইয়াৰ সমান্তৰালকৈ জার্মানীৰ ফ্রাংকফুর্টত অনুষ্ঠিত হ'বলগীয়া এম্বিয়েণ্টে ২০২৭, স্পেইনৰ মাদ্রিদৰ ইণ্টাৰগিফ্ট আৰু যুক্তৰাজ্যৰ বার্মিংহামৰ স্প্রিং ফেয়াৰৰ দৰে বিশ্বমানৰ বাণিজ্য মেলাত বড়োলেণ্ডৰ এৰী আৰু হস্তশিল্প প্রদর্শন তথা ৰপ্তানি চুক্তিৰ বাবে ব্যাপক প্রস্তুতি চলিছে বুলি তেওঁ প্রকাশ কৰে। কোকৰাঝাৰ, মুছলপুৰ, ওদালগুৰি, গুৱাহাটী আৰু তামুলপুৰ জিলাৰ দৰঙামেলাসহ পাঁচটা বিক্রী কেন্দ্রৰ জৰিয়তে ব্রাফেডে স্থানীয় ঐতিহ্যক বিশ্ব দৰবাৰলৈ নিয়াৰ লগতে সমগ্র বড়োলেণ্ডক নৈতিক এৰী ৰেচমৰ বিশ্বব্যাপী কেন্দ্র হিচাপে গঢ়ি তুলিব বুলি অধ্যক্ষ অনিল বড়োৱে দৃঢ়তাৰে উল্লেখ কৰে।

১১ দিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া পূজাৰ বিজয়া দশমীত কলহী নৈত নাওখেল উপভোগ কৰিব অর্ধলক্ষাধিক লোকে

কুকুৰমাৰা সার্বজনীন দুর্গা পূজাৰ সোণালী জয়ন্তীৰ আৰম্ভ

ছয়গাঁও ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ বৃহত্তৰ কুকুৰমাৰা সার্বজনীন দুর্গা পূজাৰ এইবেলি বিগ বাজেটেৰে সোণালী জয়ন্তী বর্ষ উদ্‌যাপন কৰিবলৈ বিস্তৃত কার্যসূচী ৰূপায়ণ কৰিছে আয়োজক সমিতিয়ে। পূজাভাগ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে ইতিমধ্যে ৰাতুল বৰা সভাপতি, ৰিংকু কলিতা (ধন) সাধাৰণ সম্পাদক, প্রবীণ মেধি, বাণেশ্বৰ মেধি, বিনোদ দাস, মণিৰাম দাস, জোন কুমাৰ দাসক কার্যকৰী সভাপতি হিচাপে ইতিমধ্যে এখনি শক্তিশালী পূজা পৰিচালনা সমিতি গঠন কৰা হৈছে। পৰিচালনা সমিতিয়ে জানিবলৈ দিয়া মতে ১১ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ ১১ দিনীয়াকৈ বর্ণাঢ্য কার্যসূচীৰে অনুষ্ঠিত হ'ব কুকুৰমাৰা সার্বজনীন দুর্গা পূজাৰ সোণালী জয়ন্তী বর্ষ। কার্যসূচী অনুসৰি ১১ অক্টোবৰ দেওবাৰে পুৱা ৯ বজাত দেৱী দুর্গাৰ প্রতিপদাদি কল্পাৰম্ভ আৰু দেৱীৰ নৱৰাত্রিক ব্রতাৰম্ভ, শৈল পুত্রীৰ পূজা আৰু চণ্ডীপাঠ, তাৰ পিছত আয়তীৰ নাম প্রসংগ, মহিলাৰ টোকাৰী নাম, সন্ধিয়া ৫০ গছি বন্তি প্রজ্বলনৰ আৰম্ভণি কৰে উদ্বোধক সভাপতি ৰাতুল বৰাই, মঞ্চ মুকলিৰ পিছত নিমন্ত্রিত শিল্পীৰ দ্বাৰা নৃত্যানুষ্ঠান, তাৰ পিছত নিমন্ত্রিত শিল্পীৰ দ্বাৰা গীতৰ অনুষ্ঠান অনুষ্ঠিত হয়। ১২ অক্টোবৰত আয়তীৰ নাম, ছোৱালীৰ থিয়নাম, বৰগীত, আমতলা সত্র সংকীর্তন দলৰ নাম পৰিৰেশন, নিমন্ত্রিত দলৰ নাগাৰা নাম পৰিৰেশন, ১৩ অক্টোবৰত আয়তীৰ নাম, আবেলি ৩ বজাৰ পৰা জুবিন গার্গৰ গীতৰ আধাৰত সংগীত প্রতিযোগিতা, (প্রথম পুৰস্কাৰ ৭,০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৬,০০০ টকা), সন্ধিয়া নিমন্ত্রিত শিল্পীৰ গীত-মাতৰ অনুষ্ঠান অনুষ্ঠিত হয়। ১৪ অক্টোবৰত পুৱাৰ ভাগত আয়তীৰ নাম প্রসংগৰ পিছত নিমন্ত্রিত চৈতালী নাম প্রতিযোগিতা, (প্রথম পুৰস্কাৰ ৭,০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৬,০০০ টকা আৰু শ্রেষ্ঠ পাঠকৰ পুৰস্কাৰ ২,০০০ টকা)। ১৫ অক্টোবৰত আয়তীৰ নাম প্রসংগৰ পিছত আবেলিৰ পৰা চৈতালী নাম প্রতিযোগিতা অনুষ্ঠিত হ'ব। ১৬ অক্টোবৰত পুৱা আয়তীৰ নাম-প্রসংগৰ পিছত কুকুৰমাৰা সার্বজনীন দুর্গা পূজাৰ সোণালী জয়ন্তী উপলক্ষে বিশাল সাংস্কৃতিক শোভাযাত্রা উদ্বোধন কৰিব পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যই, সন্ধিয়াৰ পৰা আৰম্ভ হ'ব পূজাভাগৰ কার্যসূচী। ১৭ অক্টোবৰত পুৱা ঘট বুৰণ দুণৰি আনয়নৰ পিছত নামঘৰীয়া দলৰ নাম পৰিৰেশন, চিত্রাংকণ প্রতিযোগিতা, বিশেষ সম্বর্ধনা অনুষ্ঠান, দিনৰ ভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ কৃতী ছাত্র-ছাত্রীক সম্বর্ধনা আৰু মানপত্র প্রদান, আবেলি স্মৃতিগ্রন্থ উন্মোচন কৰিব মৃণালিনী দেৱীয়ে, তাৰ পিছত বৰগীতৰ অনুষ্ঠান, আৰতি, সত্রীয়া নৃত্যানুষ্ঠান, পুৰস্কাৰপ্রাপ্ত চৈতালী নামঘৰীয়া দলৰ নাম পৰিৰেশন। ১৮ অক্টোবৰত পুৱা আইনাম, পুষ্পাঞ্জলি প্রদান, চৈতালী নাম পৰিৰেশন, বিয়লি আবৃত্তি প্রতিযোগিতা, জেজাৰা পার্টিৰ অনুষ্ঠান পৰিৰেশন, আৰতি, নিশা দৰঙৰ জনপ্রিয় মৰমী শইকীয়াৰ নাগাৰা নাম। ১৯ অক্টোবৰত পুৱা আয়তীৰ নাম প্রসংগৰ পিছত সন্ধি পূজা, বলিদান, পূজা সমাপন, পুষ্পাঞ্জলি প্রদান, সাতপখলী মিলিজুলি মহিলা নামঘৰীয়া দলৰ নাম পৰিৰেশন, সন্ধিয়া বন্তি প্রজ্বলন, আৰতি, মেঘনা দাসৰ নৃত্য পৰিৰেশন, তাৰ পিছত জংকী দাসৰ নাগাৰা নাম পৰিৰেশন, নিশা সাংস্কৃতিক সন্ধিয়াৰ কার্যসূচী আৰম্ভ। ২০ অক্টোবৰত আয়তীৰ নাম প্রসংগ, হোমপর্ব, পুষ্পাঞ্জলি প্রদান, ৩ বজাৰ পৰা লোকগীতৰ অনুষ্ঠান, বাঁহীবাদন, নাগাৰা নাম, আৰতি, নৰ দুর্গা শীর্ষক নৃত্য, পূজা সমিতিৰ দ্বাৰা একাংকিকা নাট পৰিৰেশন, নিশা কল্পজ্যোতি নাট্য পৰিষদৰ নাট পৰিৰেশন। ২১ অক্টোবৰত পুৱাভাগত পুষ্পাঞ্জলি আৰু প্রসাদ বিতৰণ, দিনৰ ১৩ বজাত কুকুৰমাৰা কলহী নদীত ঐতিহাসিক নাওখেল প্রতিযোগিতা আৰম্ভ হ'ব। নাওখেল প্রতিযোগিতাৰ সভাপতি দ্বিজেন দাসে জানিবলৈ দিয়া মতে নাওখেলৰ প্রথম পুৰস্কাৰ ৩১,০০১ টকা, দ্বিতীয় পুৰস্কাৰ ২১,০০১ টকা, তৃতীয় পুৰস্কাৰ ৭,০০১ টকা, শ্রেষ্ঠ গুৰিয়াল ১,০০১ টকা প্রদান কৰা হ'ব। উল্লেখ্য যে নাওখেল প্রতিযোগিতাৰ আটাইখিনি আর্থিক পুৰস্কাৰ দাতা হিচাপে আগবঢ়াব লখিমী টেণ্টৰ স্বত্বাধিকাৰী তথা উদীয়মান যুৱ ব্যৱসায়ী লোহিত দাসে। সন্ধিয়া দেৱী বন্দনা নৃত্য, ৰাভা নৃত্য, আধুনিক নৃত্যৰ পিছত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকিব সাংসদ বিজুলী কলিতা মেধি, পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য, বকো ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেচে। কুকুৰমাৰা সার্বজনীন দুর্গা পূজা সমিতি সোণালী জয়ন্তী বর্ষ সভাপতি ৰাতুল বৰা আৰু সাধাৰণ সম্পাদক ৰিংকু কলিতাই (ধন) সকলো ভক্তিপ্রাণ ৰাইজক আটাইকেইদিনৰ সকলো কার্যসূচীতে সহায়-সহযোগিতা কামনা কৰিছে।

■ অসম ভূমি ■ ১৪ অক্টোবৰ, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...



দুর্গা পূজা

অসমত দুর্গা দেৱীক পূজা কৰা হয় 'মহিষাসুৰমর্দিনী'ৰ ৰূপত। দেৱীৰ এই ৰূপৰ বিষয়ে 'মার্কণ্ডেয় পুৰাণ'ৰ 'দেৱী মাহাত্ম্য' খণ্ডত বিশদভাৱে বর্ণনা কৰা হৈছে। দেৱীৰ দ্বাৰা মধু কৈটভ, মহিষাসুৰ আৰু শুম্ভ-নিশুম্ভ বধৰ কাহিনী 'দেৱী মাহাত্ম্য'ৰ ৫৩৮ টা শ্লোকৰ ৪০০ মন্ত্রেৰে সন্নিৱিষ্ট কৰা হৈছে। স্বয়ংসমুৎপন্না দেৱীৰ প্রার্থনাৰে 'দেৱী মাহাত্ম্য'ৰ দ্বিতীয় খণ্ডৰ মহিষাসুৰ বধৰ কাহিনী আৰম্ভ হৈছে। যি দেৱীয়ে ওঠৰখন হাতত অক্ষমালা, কুঠাৰ, গদা, বাণ, বজ্র, পদ্মধনু, কমণ্ডলু, দণ্ড, শক্তি, খৰ্গ, ঢাল, শংখ, ঘণ্টা, মদ্যপাত্র, শূল, পাশ আৰু সুদর্শন চক্র ধাৰণ কৰে সেই প্রসন্নবদনা মহিষমর্দিনী, পদ্মৰ ওপৰত অৱস্থিতা দেৱীক আৰাধনা কৰো। কাহিনীভাগ এনে ধৰণৰ— দেৱৰাজ ইন্দ্রৰ লগত অসুৰৰাজ মহিষাসুৰৰ এশ বছৰব্যাপী যুদ্ধ হয়। যুদ্ধত দেৱৰাজ ইন্দ্র পৰাজিত হৈ ব্রহ্মাৰ নেতৃত্বত দেৱতাসকলৰ সৈতে বিষ্ণু আৰু মহাদেৱৰ শৰণাপন্ন হয়। দুৰাত্মা অসুৰৰ অত্যাচাৰৰ কথা শুনি বিষ্ণু আৰু মহাদেৱ অত্যন্ত ক্রোধিত হৈ পৰে। ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ কুপিত মুখৰ পৰা মহাতেজ (শক্তি) নির্গত হ'বলৈ ধৰে। ইন্দ্রকে ধৰি দেৱতাগণৰ শৰীৰৰ পৰাও প্রচুৰ তেজ নির্গত হয়। সমূহ তেজৰাশি একত্র হয়। সেই স্থানত অর্থাৎ হিমালয় পর্বতৰ ওপৰত অৱস্থিত মহর্ষি কাত্যায়নৰ আশ্রমত সেই একত্রিত তেজৰাশি দিগন্তৰ জ্বলি উঠা শিখা বা জ্বলন্ত পর্বতৰ ৰূপ লোৱা দেৱগণে প্রত্যক্ষ কৰে। দেৱতাসকলৰ শৰীৰৰ পৰা উৎপন্ন হোৱা এই তেজৰাশি স্বর্গ, মর্ত্য, পাতালব্যাপী ক্রমান্বয়ে এক পৰম জ্যোতির্ময়ী নাৰীৰ ৰূপ পৰিগ্রহণ কৰে। সেই নাৰীৰ মুখ মহাদেৱৰ তেজেৰে, কেশ যমৰ তেজেৰ, বাহু বিষ্ণুৰ তেজেৰে, স্তনযুগল চন্দ্রৰ তেজেৰে, মধ্যদেশ ইন্দ্রৰ তেজেৰে, জংঘা আৰু উৰু বৰুণৰ তেজেৰে, নিতম্ব পৃথিৱীৰ তেজেৰে, দুই ভৰি ব্রহ্মাৰ তেজেৰে, নাক কুবেৰৰ তেজেৰে, দাঁত প্রজাপতিৰ তেজেৰে আৰু তিনিটি নয়ন অগ্নিৰ তেজেৰে উৎপন্ন হয়। দুয়োটি চেলাউৰি প্রাতঃসন্ধ্যা আৰু সায়ং সন্ধ্যাৰ তেজেৰে, কাণ বায়ুৰ তেজেৰে মূর্ত হৈ উঠে। দেৱীৰ হাতত মহাদেৱে তুলি দিয়ে শূল, বিষ্ণুৱে দিয়ে নিজৰ চক্রৰে সৃষ্ট চক্র, বৰুণে শংখ, অগ্নিয়ে শক্তি, বায়ুৱে ধনু আৰু শৰ, ইন্দ্রই বজ্র আৰু গজঘণ্টা, যমে কালদণ্ড, প্রজাপতি ব্রহ্মাই কমণ্ডলু আৰু ৰুদ্রাক্ষৰ মালা, সূর্যই দেৱীৰ সমস্ত ৰোমকুপত নিজৰ কিৰণ (মৃত্যু দেৱতা), কালে দিয়ে খৰ্গ আৰু ঢাল। দেৱীক উজ্জ্বল আৱৰণ আৰু দীপ্তিময় আভৰণেৰে সজায় ক্ষীৰোদ সাগৰে। বিশ্বকর্মাই দিয়ে শানিত কুঠাৰ আৰু অভেদ্য বর্ম, সমুদ্রই পদ্মৰ মালা, হিমালয়ে দিয়ে বাহনৰূপে এটা সিংহ আৰু নানাবিধ ৰত্ন, কুবেৰে দিয়ে সদায় পৰিপূর্ণ হৈ থকা এটা পাত্র আৰু বাসুকী নাগে মহামণিশোভিত এডাল নাগহাৰ। অস্ত্র-শস্ত্রৰে সুসজ্জিত দেৱীয়ে অট্টহাস্য আৰু গর্জন কৰি বিশ্ব কঁপাই তোলে। অসুৰসকলৰ লগত দেৱী ভয়ংকৰ যুদ্ধত লিপ্ত হয় আৰু পৰাক্রমী মহিষাসুৰক বধ কৰে।

সুৰথ ৰজাই বসন্তকালত দেৱী দুর্গাৰ পূজাৰ প্রচলন কৰিছিল। ৰাৱণ বধৰ বাবে দেৱীক তুষ্ট কৰাৰ প্রয়োজন হোৱাত ৰামচন্দ্রই শৰৎকালত অকাল বোধন কৰি দেৱীক পূজা কৰে। বসন্তকালত সকলো দেৱ-দেৱী জাগ্রত অৱস্থাত থাকে। শৰৎকালত দেৱ-দেৱীসকলক পূজিবলৈ হ'লে প্রথমে বোধন কৰাৰ প্রথা প্রচলন আছে। দুর্গা পূজাও ইয়াৰ ব্যতিক্রম নহয়।

আহিন আৰু শৰৎ এই দুয়োটা শব্দ ইটোৰ পৰিপূৰক আনটো। মনোমোহা শৰৎ আৰম্ভ হয় আহিন মাহতে। মানুহ সৌন্দর্যপিপাসু। বছৰটোৰ সকলো সময়তে সৌন্দর্য উপভোগৰ পৰিৱেশ নাথাকে। তথাপি পদুলিমুখত থকা শেৱালিজোপাত যেতিয়া ৰাতিয়েই ফুল ফুলি পুৱতি নিশা পৰিৱেশটো সুগন্ধি সুবাসেৰে আমোলমোলাই থাকে তেতিয়া মানুহৰ মনলৈ এক প্রশান্তিৰ আৱেশ আহে। দেহ মন উদ্বেলিত হৈ পৰে। শাৰদীয় সুগন্ধি সুবাসে নিয়ৰ আৰু দূবৰি সেমেকি থকা দৃশ্যাংশই নান্দনিক শোভা বঢ়ায়। নিয়ৰসিক্ত দূবৰি বনত খালী ভৰিৰে খোজ কাঢ়িলে কেনে অনুভৱ হয় সেয়া বর্ণনাতীত। ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে আহিন মাহটো। সেইবাবেই কোৱা হয়, শৰৎ হৈছে ঋতুৰ ৰাণী। লোকবিশ্বাসমতে সর্বসাধাৰণেও বিশ্বাস কৰে বসন্তৰ ফুলৰ সুবাস আৰু শৰতৰ ফুল অতি সৌন্দর্যময়ী। আহিনৰ সেউজীয়া ধাননি পথাৰ... কেৱল সেউজীয়া আৰু সেউজীয়া। ধানে থোক মেলে। ৰিব ৰিব বতাহ আহি থোক মেলা ধানৰ শীহবোৰৰ সৌন্দর্যত সুবাস চৰায়।




আহিনমহীয়া শেৱালি ফুলিলে...

লীলাধৰ হাজৰিকা

শাৰদীয় বতৰত প্রকৃতিৰ অপৰূপ দৃশ্য দেখাৰ লগে লগে মহাপুৰুষ শ্রীমন্ত শংকৰদে�ৱৰ পিছতেই অসমীয়া মানুহৰ এগৰাকী কবিলৈ মনত পৰে। সেইগৰাকী কবিয়ে কৈছিল... কোনে ঐ মেলে দুৱাৰ, শৰতৰ সোণৰ পুৱাৰ...। কবিগৰাকী হৈছে শৰতৰ কবি পার্বতি প্রসাদ বৰুৱা। দিখৌৰ পাৰত জন্মগ্রহণ কৰা পার্বতি প্রসাদ বৰুৱাদেৰে অসমক, অসমৰ প্রকৃতিক অসম্ভৱ ধৰণে ভাল পাইছিল। তেখেতৰ গান আৰু কবিতাত প্রকৃতিৰ সূক্ষ্ম বস্তুবিলাকেও প্রাধান্য লাভ কৰিছিল। দিখৌৰ বুকুত ভাহি অহাই কলমৌ পৰুৱা, শৰতৰ বগা মেঘ, নির্মল আকাশ, ইকৰা পাতৰ নাও, কলমৌ ঠাৰিৰে পেঁপা বজাই বনগীত গোৱাৰ দৃশ্যৰ চিত্রণ অতিকে মনোমোহা। অসমীয়া সাজপাৰ, অসমীয়া আইনাম, বৰগীত, বিয়ানামৰ সুৰেও কবিগৰাকীক মতলীয়া কৰি তুলিছিল। শৰতৰ বর্ণনা দিবলৈ গৈ পার্বতি প্রসাদে কৈছিল, 'আহিনমহীয়া শেৱালি ফুলিলে... নিয়ৰত তিতিলে বন।'

আহিন আৰু শৰৎ এই দুয়োটা শব্দ ইটোৰ পৰিপূৰক আনটো। মনোমোহা শৰৎ আৰম্ভ হয় আহিন মাহতে। মানুহ সৌন্দর্যপিপাসু। বছৰটোৰ সকলো সময়তে সৌন্দর্য উপভোগৰ পৰিৱেশ নাথাকে। তথাপি পদুলিমুখত থকা শেৱালিজোপাত যেতিয়া ৰাতিয়েই ফুল ফুলি পুৱতি নিশা পৰিৱেশটো সুগন্ধি সুবাসেৰে আমোলমোলাই থাকে তেতিয়া মানুহৰ মনলৈ এক প্রশান্তিৰ আৱেশ আহে। দেহ মন উদ্বেলিত হৈ পৰে। শাৰদীয় সুগন্ধি সুবাসে নিয়ৰ আৰু দূবৰি সেমেকি থকা দৃশ্যাংশই নান্দনিক শোভা বঢ়ায়। নিয়ৰসিক্ত দূবৰি বনত খালী ভৰিৰে খোজ কাঢ়িলে কেনে অনুভৱ হয় সেয়া বর্ণনাতীত।

ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে আহিন মাহটো। সেইবাবেই কোৱা হয়, শৰৎ হৈছে ঋতুৰ ৰাণী। লোকবিশ্বাসমতে সর্বসাধাৰণেও বিশ্বাস কৰে বসন্তৰ ফুলৰ সুবাস আৰু শৰতৰ ফুল অতি সৌন্দর্যময়ী। আহিনৰ সেউজীয়া ধাননি পথাৰ... কেৱল সেউজীয়া আৰু সেউজীয়া। ধানে থোক মেলে। ৰিব ৰিব বতাহ আহি থোক মেলা ধানৰ শীহবোৰৰ সৌন্দর্যত সুবাস চৰায়। সেউজীয়া ধাননিৰ মাজত কেতিয়াবা সন্ধিয়া শিয়ালৰ হোৱা শুনিবলৈ পোৱা যায়। অৱশ্যে শিয়ালৰ হোৱা আজিকালি নষ্টালজিক হৈ পৰিল। শৰতৰ মন ভুলুৱা



ফ�ৰিংফুটা জোনাকৰ বিধৌত টৌ উপচি পৰে নৈ, বিল, হ্রদৰ নির্মল পানীত। এনে সময়তে নৈৰ বালিত জোনাক নিশা আত্মহাৰা হৈ পৰে চাকৈ চকোৱাবো�ৰ। শৰতৰ সৌন্দর্যই সকলোৰে হৃদয়ৰ কোনোবাখিনিত আনন্দৰ জোৱাৰ তোলে। গঙাচিলনীবোৰৰো এনে জোনাক নিশাত আনন্দ অনুভূত হয়। টিঁ টিঁ টিঁহুত মাতেৰে আনন্দৰ মুহূর্ত প্রকাশ কৰে। শৰৎ কালত ৰ'দৰ প্রকোপ কমে। শুকুলা ডাৱৰৰ আঁৰে আঁৰে জোনে লুকাভাকু খেলে। পদুম ফুলবোৰ ফুলি উঠে, জোনাকৰ আৱেশময় পৰিৱেশত।

খেতিয়কৰ বাবে শৰৎ আৰু আহিন আশা আৰু আনন্দৰ মাহ, আনন্দৰ বতৰ। ধর্মীয় বিশ্বাসেও কয় শাৰদীয় দুর্গা পূজাই মানুহৰ মন-প্রাণ উতলা কৰে। শৰতে মানুহক বিশেষকৈ খেতিয়ক কর্মমুখী হ'বলৈ প্রেৰণা যোগায়। শৰতে বন্ধুত্বৰ এনাজৰী কটকটীয়া কৰে। মানুহৰ মনত থকা সংকীর্ণতা আঁতৰ হয় এই শৰততে। ভগৱান শ্রীকৃষ্ণয়ো এই শৰততে যমুনা নদীৰ বালিত ৰাসক্রীড়া কৰিছিল। আত্মা-পৰমাত্মাৰ মিলনৰ প্রতীকো এই ৰাসক্রীড়াই।

যমুনাৰ বালিত পূর্ণিমা তিথিত বাঁহীৰ মাত শুনি এই শৰততে গোপীবৃন্দ আৱেগবিহ্বল ■ *নৱম পৃষ্ঠাত*

মহাভাৰতত মহিষাসুৰ হন্তা হিচাপে স্কন্ধ শিৰ আৰু দুর্গাৰ নাম পোৱা গৈছে। বৰ্তমান দুর্গাৰ ৰণমুখী ৰূপ অগ্নিপুৰাণৰ পৰা আহিছে। প্ৰকৃততে আৰ্যসকল ভাৰতত প্ৰৱেশ কৰাৰ সময়ত তেওঁলোক আছিল প্ৰকৃতিৰ পূজাৰী। প্ৰকৃতিৰ বিভিন্ন শক্তিক আৰ্যসকলে সূৰ্য, চন্দ্ৰ, ইন্দ্ৰ, বৰুণ, অগ্নি আদি বিভিন্ন ৰূপত উপাসনা কৰিছিল; কিন্তু ভাৰতত প্ৰৱেশ কৰাৰ পিছত অনাৰ্যসকলৰ লগত সংমিশ্ৰণ হোৱাৰ ফলত আৰ্যসকলে বিভিন্ন দেৱ-দেৱীৰ পূজা উপাসনা আৰম্ভ কৰিছিল। বিশেষকৈ শাক্ত ধৰ্মৰ অৱলম্বনত তেওঁলোকে বিভিন্ন নাৰী দেৱীৰ পূজা উপাসনা আৰম্ভ কৰিছিল। এই নাৰী দেৱীসকল হ'ল— দুর্গা, ত্ৰিপুৰী বা ষোড়শী, কালী, তাৰা, ভুৱনেশ্বৰী, বাঘেশ্বৰী, সিদ্ধেশ্বৰী, বগলা, অৰুন্ধতী ছিন্নমস্তা, উমা, পার্বতী, অন্নপূর্ণা, জগদ্ধাত্ৰী, মহিষমর্দিনী, মনসা, সৰস্বতী, গায়ত্ৰী ইত্যাদি। প্ৰথমতে আৰ্যসকলে এই দেৱীসমূহক কেৱল উপাসনাহে কৰিছিল। পৰৱৰ্তী অনাৰ্যসকলৰ সংস্পৰ্শলৈ আহি মূৰ্তি পূজা (পুষ্প দি সেৱা) আৰম্ভ কৰিছিল। ভাৰতত আটাইতকৈ পুৰণি মহিষমর্দিনী দেৱী মূৰ্তি ৰাজস্থানৰ টংক জিলাত পোৱা গৈছে। গুপ্ত যুগতে দুর্গা দেৱীক সপ্তমাতৃৰূপে পূজা উপাসনা কৰাৰ প্ৰমাণ পোৱা গৈছে।

দুর্গোৎসৱৰ

উৎপত্তি আৰু বিকাশ



নাছিৰ আহমেদ

অতি প্ৰাচীন কালৰে পৰা পৃথিৱীৰ সকলো প্ৰান্তে প্ৰান্তে পৰম্পৰাগতভাৱে নাৰী দেৱীৰ পূজা উপাসনা চলি আহিছে। নাৰী মূৰ্তিৰ ভিতৰত অষ্ট্ৰিয়াৰ উইলেনডর্ফৰ এটি মন্দিৰৰ ভগ্নস্তূপৰ খনন কাৰ্যৰ পৰা উদ্ধাৰ কৰা হৈছে প্ৰায় ২০ হাজাৰ বছৰ পুৰণি চূণশিলেৰে নিৰ্মিত এক প্ৰকাণ্ড স্ফীতোদৰা নাৰী মূৰ্তি।

এই নাৰী মূৰ্তিকেই ভেনাছ বা মহামাই বুলি গণ্য কৰা হয়। আমাৰ দেশতো দুর্গা দেৱীক মহামাই বুলিও কোৱা হয়।

ইয়াৰ উপৰি ছাইবেৰিয়া, ইজিপ্তৰ আইছিছ দেৱী গ্ৰীক ভূ-মাতৃ ডিমিটাৰ, মেক্সিকো, পেৰু, বেবিলন, ৰোমৰ উপাস্য দেৱী ভেনাছ আৰু ডায়েনা আফ্ৰিকাৰ বিভিন্ন অঞ্চল, চীন, জাপান ইত্যাদি দেশত ভূমি দেৱীক (কৃষি দেৱী) বিভিন্ন ৰূপত পূজিত হয়।

নৃতত্ত্ববিদসকলৰ মতে পৃথিৱীত আনুষ্ঠানিক ধৰ্মসমূহ প্ৰৱর্তন হোৱাৰ আগতে আদিম মানৰ সমাজ নাৰীপ্ৰধান আছিল। নাৰীয়েই আছিল সমাজৰ চালিকাশক্তি। এনেকি মানৰ সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰা প্ৰবাহিত হৈ যি কৃষিভিত্তিক সমাজ ব্যৱস্থা গঢ়ি উঠিছিল এই কৃষিকাৰ্যৰ মূল হোতাই আছিল নাৰী। ইতিহাসবিদ জে দি বার্নালে 'Science in History' গ্ৰন্থত উল্লেখ কৰিছে যে নাৰীসকলে শস্য সংগ্ৰহ কৰিছিল, নাঙল আৱিষ্কাৰ হোৱাৰ আগতে খন্তি আদি অস্ত্ৰ ব্যৱহাৰ কৰি শস্যৰ গুটি বা শিপা উভালি গাঁত খান্দি শস্য ৰোপণ কৰিছিল। এতিয়াও জনজাতীয় লোকসকলে এই পদ্ধতিৰে পাহাৰত জুম খেতি কৰা দেখা যায়। ইতিহাসবিদ গাইলছৰ মতে যেতিয়া জনজাতীয় পুৰুষসকলে বনে বনে চিকাৰ কৰাত ব্যস্ত আছিল, তেতিয়া নাৰীসকলে বাসস্থানৰ ওচৰে-পাঁজৰে জোঙা কাঠৰ টুকুৰা বা শিলৰ কোৱেৰে মাটি খান্দোতে কৃষিকাৰ্যৰ আৰম্ভণি। ব্ৰিফল্ট দেৱীপ্ৰসাদ চট্টোপাধ্যায়েও নাৰীয়েই কৃষিকাৰ্যৰ আৱিষ্কাৰক বুলি কৈছে।

আদিম মানৰ সমাজ ব্যৱস্থাত নাৰী কেৱল কৃষিকাৰ্যৰ আৱিষ্কাৰক নহয়, তেওঁলোক উৰ্বৰতাৰো প্ৰতীক। সমাজত বিবাহ পদ্ধতি প্ৰচলন নোহোৱাৰ আগলৈকে নাৰীসকলে প্ৰিয়জনৰ সৈতে অবাধভাৱে যৌন জীৱন পালন কৰিছিল। ছান্দোগ্য উপনিষদৰ চতুর্থ অধ্যায়ত বর্ণিত আখ্যান সত্যকাম-জাবানলৰ কাহিনীৰ পৰাও ইয়াৰ প্ৰমাণ পোৱা যায়। জাবানে গুৰু গৌতমৰ ওচৰত শিক্ষালাভ কৰিবৰ বাবে যোৱাৰ সময়ত মাক জাবানলক গোত্ৰৰ কথা সোধাত মাতৃয়ে তেওঁৰ পিতৃ পৰিচয় বা গোত্ৰৰ পৰিচয় নাই বুলি কৈছিল। যি কি নহওক, সেই সময়ত বহুত পুৰুষে নাৰীৰ সংগ সুখ লাভ কৰিবলৈ নাৰীক দেৱীৰ শাৰীত তুলি ধৰি অনুনয়-বিনয় কৰিছিল। তাৰ পৰাই নাৰী দেৱীৰ পূজা উপাসনা আৰম্ভ হৈছিল বুলি নৃতত্ত্ববিদসকলে ক'ব বিচাৰে। পৰৱৰ্তী কালত নাৰীক কেন্দ্ৰ কৰি সৰু সৰু গোটসমূহৰ মাজত দ্বন্দ্ব-সংঘাত সৃষ্টি হোৱাত শক্তিশালী গোটে দুর্বল গোটৰ মানুহক বলি দি নিজৰ গোটৰ মুখ্য নাৰীগৰাকীক সন্তুষ্ট কৰিছিল। তাৰ পৰাই নৰবলি প্ৰথা প্ৰচলিত হৈছিল বুলি কোৱা হয়।

কিন্তু অতি প্ৰাচীন কালৰে পৰা পৃথিৱীৰ প্ৰান্তে প্ৰান্তে পৰম্পৰাগতভাৱে নাৰী দেৱীৰ পূজা উপাসনাৰ ক্ষেত্ৰত নাৰীক ধৰিত্ৰী মাতৃৰূপে, ভূমি মাতৃৰূপে বা কৃষি দেৱীৰূপে পূজা উপাসনা কৰা দেখা যায়।

এতিয়া আমি দুর্গোৎসৱ বা দুর্গা দেৱীৰ পূজা-অর্চনা কৰাৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে লিখিবলৈ প্ৰয়াস মত কৰিম।

ভাৰতত অতি প্ৰাচীন কালৰে পৰাই নাৰীৰূপী আদ্যাশক্তিৰ বিকাশ আৰু বিস্তৃতি ঘটিছে।

ঋকবেদৰ 'দেৱীসুক্ত'ত দেৱীয়ে নিজে ঘোষণা কৰিছে যে তেওঁৰ মহিমা সুদূ�ৰপ্ৰসাৰী আৰু সি দুল্যোক পাৰ হৈ পৃথিৱীকো চেৰাই গৈছে। তেওঁ দেৱী সনাতনী নিত্যা, সৃষ্টি, পালন আৰু সংহাৰকাৰিণী মহাশক্তি। সেই কাৰণে নাৰী দেৱী আৰু শক্তি দেৱীৰ উপাসনা তত্ত্ব বা মার্গ নৃতাত্ত্বিক আৰু সাংস্কৃতিক সংশ্লেষণ বুলি গণ্য কৰা হয়।

দুর্গোৎসৱৰ উৎপত্তিৰ মূল আধাৰ হ'ল অশুভ শক্তিৰ প্ৰতীক অসুৰক বধ কৰি শুভ শক্তিৰ প্ৰতীক দেৱতাসকলক ৰক্ষা কৰা। যেতিয়া মহিষাসুৰৰ অত্যাচাৰত ব্যতিব্যস্ত হৈ দেৱতাসকলে ব্ৰহ্মাক কাকূতি-মিনতি কৰিছিল, তেতিয়া ব্ৰহ্মাই দেৱতাসকলৰ পৰা তেজ, মঙহ, হাড় আদি লৈ আদ্যাশক্তি দুর্গা দেৱীক সৃষ্টি কৰি মহিষাসুৰক বধ কৰি দেৱতাসকলক ৰক্ষা কৰিছিল। দুর্গা পূজাৰ অবিচ্ছেদ্য অংগ হিচাপে 'চণ্ডীপাঠ'ত উল্লেখ আছে যে প্ৰকৃততে পৰমব্ৰহ্মাই বিভিন্ন মায়া কৰি দুর্গা, চণ্ডী, কালী, তাৰা, ভুৱনেশ্বৰী, বগলা, ছিন্নমস্তা, উমা, পার্বতী, মহিষমর্দিনী আদি বিভিন্ন ৰূপ লৈ আদ্যাশক্তিৰূপে মহিষাসুৰ আৰু ৰক্তবীজ আদি অসুৰক বধ কৰিছিল। পৰমব্ৰহ্মাৰ আদ্যাশক্তিক উদ্দেশ্য কৰি সংস্কৃত শ্লোকত কোৱা হৈছে যে 'যা দেৱী সর্বভূতেষু, মাতৃৰূপেণ সংস্থিতা, নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ' দুর্গা পূজাৰ সময়ত দেৱীক উদ্দেশ্যি পুৰোহিতে মন্ত্ৰ উচ্চাৰণ কৰে এইবুলি যে 'ধনং দেহি, যশং দেহি, বিদ্যাং দেহি, দ্বিষো জহি।' অর্থাৎ শত্ৰুহীন ধন, যশ আৰু বিদ্যা দিয়া।

দেৱী ভাগৱত অনুসৰি প্ৰথমতে সুৰথ ৰজাই দুর্গা পূজা আৰম্ভ কৰিছিল। তাৰ পিছত ৰজা ৰামচন্দ্ৰই ৰাক্ষস ৰাৱণক অকালবোধন কৰিবলৈ শৰৎ কালত দুর্গোৎসৱৰ সূচনা কৰিছিল।

মহাভাৰতত মহিষাসুৰ হন্তা হিচাপে স্কন্ধ শিৰ আৰু দুর্গাৰ নাম পোৱা গৈছে। বৰ্তমান দুর্গাৰ ৰণমুখী ৰূপ অগ্নিপুৰাণৰ পৰা আহিছে। প্ৰকৃততে আৰ্যসকল ভাৰতত প্ৰৱেশ কৰাৰ সময়ত তেওঁলোক আছিল প্ৰকৃতিৰ পূজাৰী। প্ৰকৃতিৰ বিভিন্ন শক্তিক আৰ্যসকলে সূৰ্য, চন্দ্ৰ, ইন্দ্ৰ, বৰুণ, অগ্নি আদি বিভিন্ন ৰূপত উপাসনা কৰিছিল; কিন্তু ভাৰতত প্ৰৱেশ কৰাৰ পিছত অনাৰ্যসকলৰ লগত সংমিশ্ৰণ হোৱাৰ ফলত আৰ্যসকলে বিভিন্ন দেৱ-দেৱীৰ পূজা উপাসনা আৰম্ভ কৰিছিল। বিশেষকৈ শাক্ত ধৰ্মৰ অৱলম্বনত তেওঁলোকে বিভিন্ন নাৰী দেৱীৰ পূজা উপাসনা আৰম্ভ কৰিছিল। এই নাৰী দেৱীসকল হ'ল— দুর্গা, ত্ৰিপুৰী বা ষোড়শী, কালী, তাৰা, ভুৱনেশ্বৰী, বাঘেশ্বৰী, সিদ্ধেশ্বৰী, বগলা, অৰুন্ধতী ছিন্নমস্তা, উমা, পার্বতী, অন্নপূর্ণা, জগদ্ধাত্ৰী, মহিষমর্দিনী, মনসা, সৰস্বতী, গায়ত্ৰী ইত্যাদি।

প্ৰথমতে আৰ্যসকলে এই দেৱীসমূহক কেৱল উপাসনাহে কৰিছিল। পৰৱৰ্তী অনাৰ্যসকলৰ সংস্পৰ্শলৈ আহি মূৰ্তি পূজা (পুষ্প দি সেৱা) আৰম্ভ কৰিছিল।

ভাৰতত আটাইতকৈ পুৰণি মহিষমর্দিনী দেৱী মূৰ্তি ৰাজস্থানৰ টংক জিলাত পোৱা গৈছে। গুপ্ত যুগতে দুর্গা দেৱীক সপ্তমাতৃৰূপে পূজা উপাসনা কৰাৰ প্ৰমাণ পোৱা গৈছে। মহাবলিপু�ৰমত পোৱা শিলৰ দুর্গা দেৱীৰ মূৰ্তিটো সিংহৰূঢ়া আৰু অষ্টবাহুযুক্ত (৬৫০ খ্ৰীষ্টাব্দত) দুর্গা দেৱীক শস্যাধিপতি অন্নপূর্ণাও কোৱা হয়। দুর্গা পূজাৰ লগত লক্ষ্মী পূজাও কৰা হয়। নৃতত্ত্ববিদ ৰামপ্ৰসাদ চন্দ্ৰই কৈছে যে দুর্গা দেৱী শাকম্বৰী অর্থাৎ শস্যৰ অধিকাৰী। সেই কাৰণে তেওঁক অন্নদা বা অন্নপূর্ণাও কোৱা হয়। ব্ৰিটিছ যুগত পশ্চিমবংগত ■ *নৱম পৃষ্ঠাত*



শৰতৰ আগমন

মেঘালী বৰা

মেটমৰা প্রতিশ্রুতি লৈ
আহিনৰ বোকোচাত
শৰৎ আকৌ আহিল।
শৰতৰ আগমনত
নীলা আকাশত
শুকুলা মেঘালীজনীয়ে
ডেও দি ডেও দি নাচিছে
এতিয়া যে শৰত অহাৰ বতৰ।
শাৰদী ৰাণী শৰৎ অহাৰ লগে লগে
আহিনৰ পথাৰখনো
সেউজবুলীয়া হ'ল।
পথৰুৱা আলিবোৰৰ মাজত
শুকুলা কঁহুৱা বনে উলাহতে
হালিছে জালিছে।
দূবৰিৰ দলিচাত সংগোপনে আহি
নিয়ৰেও মুকুতা পিন্ধাইছে।
বালিমাহী চৰাইজনীয়ে
নাচিবাগি চোতালে চোতালে
শৰতৰ চিঠি বিলাই জনালেহি
শাৰদীয় দুর্গোৎসৱৰ বতৰা।
আকাশৰ ওপৰে উৰি যোৱা
শৰালিজাকে কৈ গ'ল
সেউজীয়া লখিমী গর্ভৱতী হোৱাৰ বতৰা।
পদুলিমুখৰ শেৱালিজোপাই
মনৰ উলাহতে মিচিকি হাঁহিৰে
চৌদিশে বিয়পাই দিলে
আমোলমোল শেৱালিৰ গোন্ধ।
এয়া হেনো শৰতক আদৰাৰ প্রস্তুতি।

শৰৎ

জুৰিমণি মুদৈ

আহিনৰ বোকোচাত
শৰতৰ আগমন
শুভ কঁহুৱাৰ
প্রেমৰ আয়োজন।

নিয়ৰসিক্ত শৰতৰে দূবৰিত
মুকুতাৰ জিলিকনি
আহিছে শাৰদীয় ৰাণী
লাজৰে ওৰণি টানি।

শৰতৰ সুবাসত
মন হয় মতলীয়া
প্রকৃতিৰ বিনন্দীয়াৰূপে
মোহাৱিষ্ট কৰে হিয়া।

শৰৎ মানেই
এবুকু আশা
এবুকু প্রেৰণা
হেঁপাহৰ প্রত্যয়ৰ ৰাগিণী
জীৱনৰ ছন্দোময় গতি
যেন সম্ভৱনাৰ ৰেঙনি।



জেলেপি

লক্ষী প্রসাদ ৰেগন

এইবাৰ মই পূজা চাবলৈ গৈ
জেলেপিৰ পাকত সোমাই নিজেই
জেলেপি হৈ গ'লো
এতিয়া মোৰ চাৰিওফালে
কেইটামান ভেনামাখিয়ে
দুর্গা বন্দনা গাই ঘূৰি আছে
আচল নকল পৰীক্ষা কৰি
এনেতে শিশুবোৰৰ কন্দা শুনিছিলো
মা মোক বন্দুক লাগে
দেউতা মোক বেলুন লাগে
দাদা মোক পুতলা লাগে
কিন্তু দুটি নিষ্পাপ শিশুৱে
মাইল খুঁটাৰ দৰে ৰৈ
একেথিৰে চাই আছে
মই যদি ওলাই যাব পৰা হ'লে
জেলেপিৰ পাক খুলি
বহুত কিবাকিবি যাচিলোহেঁতেন
শিশু দুটিক
এনে পূজা নাহক দুনাই
যি শিশুবোৰক আনন্দ দিব নোৱাৰে
বাহিৰে ভিতৰে
অহাবাৰ আহক সেই পূজা
হাজাৰ হাজাৰ ঘাতমাউৰা শিশুবোৰৰ মন
ৰং আনন্দেৰে ওপচাই তুলিবলৈ।



শাৰদীয় বতৰ

শতাব্দী শর্মা

শেৱালিজোপা তলভৰি সৰালৈ
অপেক্ষা কৰিছো।
অস্তিত্ব প্রতিপন্ন কৰিবলৈ
উঠি পৰি লাগিছে আহিন।
ধূপ, ঘিউ, চাকিৰ তেলৰ গোন্ধত
দশোদিশ জীপাল কৰিবলৈ ব্যগ্র
পূজাথলী।
ঢাকৰ শব্দৰে কৃতার্থ কৰিবলৈ চলিছে
আয়োজন।
শাৰদীয় বতৰ এয়া,
কঁহুৱা তুলাৰ দৰে উৰাৰ সময় এয়া।
অলপ সেমেকা,
অলপ নিয়ৰ,
উত্তাপে দহি নিয়া পৃথিৱীৰ বুকুত
নিৰন্তৰ চলিছে শীতলীকৰণ প্রক্রিয়া।
শাৰদীয় বতৰত
হৃদয়ে মনে-প্রাণে
আহিনৰ জয়গান ,
উৎসৱৰ দামামা।



শৰতৰ শেৱালি

নির্মালি কাকতি

আকৌ হেনো আহিছে শৰৎ
শেৱালিজোপাই উমান পাই
বাট চাই ৰৈ আছে পদূলি মুখত।

ৰুণুক জুনুক নিয়ৰৰ শব্দত
তাই ফুল কুমলীয়া হাঁহি
নিয়ৰৰ টোপালবোৰ গালে-মুখে সানি
শৰতৰ প্রেমত মত্ত শেৱালি।

শেৱালিৰ মিঠা মিঠা সুবাসত
শৰতৰ মন প্রাণ উতলা
মৃদু বতাহজাকে শেৱালিক চুমা যাচে
শৰতৰ নিয়ৰসিক্ত সন্ধ্যা।

শৰৎ আৰু শেৱালিৰ মিঠা আলিংগনত
নৈ পাৰত ফুলিব কঁহুৱা বন
শাৰদীয় পূর্ণিমাত কানাইৰ বাঁহীৰ সুৰত
ধৰা ৰূপান্তৰ হ'ব বৃন্দাবন।



কাতি বিহু

এছ ইছলাম


মোৰ হৃদয়ৰ ছন্দে ছন্দে
শৰীৰৰ প্রতিটো কোঁহে কোঁহে
আকাশবন্তিৰ গোন্ধে গোন্ধে
প্রতিটো তেজৰ টোপে টোপে
নাচি উঠে মন মোৰ মহানন্দে।

সগর্ভা বসুন্ধৰা
লখিমী আইৰে
শইচ ভৰা পথাৰৰ
সোণালী সৌন্দর্যৰে
মনত মোৰ আনন্দৰ সঁফুৰা।

যদিও উদং ভঁৰালবোৰ
অনাগত দিনবোৰত
আঘোণী বতৰত
লখিমী আইৰ পৰশত
চহকী কৰিব ভঁৰাল মোৰ।

অহা দিনৰ স্মৃতিত
মন মোৰ আনন্দিত
তুলসীত জলাওঁ চাকি-বস্তি
লখিমী আইৰ শুভাকাংক্ষী
সেয়ে হ'ল কাতি বিহু কঙালী।







অসমীয়া জাতীয় জীৱনত

দুর্গা পূজাৰ মাদকতা অতীত আৰু বর্তমান

অতীতৰ সেই সৰলতাৰ বিপৰীতে বর্তমানৰ পূজাৰ বজাৰ ব্যৱস্থা বহু পৰিমাণে সলনি হৈছে। আজিকালি পূজাৰ বজাৰবোৰত আমাৰ আপুৰুগীয়া থলুৱা সামগ্ৰীৰ সলনি বিভিন্ন বহিৰাগত সামগ্ৰীৰহে বাৰুকৈয়ে আগ্ৰাসন দেখিবলৈ পোৱা যায়। কাপোৰ-কানি, পূজাৰ সজ্জা, ৰং-বিৰঙী লাইটৰ পৰা আৰম্ভ কৰি শিশুৰ খেলনালৈকে সকলোতে বহিৰাগত তথা চীনা সামগ্ৰীয়ে বজাৰ ভৰাই পেলায়। ফলস্বৰূপে, আমাৰ থলুৱা কুটীৰ শিল্প, স্থানীয় শিপিনী আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকল তীব্ৰ প্ৰত্যাহ্বানৰ মুখত পৰিছে। আমি যদি পূজাৰ বজাৰ কৰোতে থলুৱা উৎপাদনক অগ্ৰাধিকাৰ নিদো, তেন্তে আমাৰ স্বকীয় অর্থনীতি দুর্বল হৈ পৰিব। কেৱল কাপোৰৰ বজাৰেই নহয়, পূজাৰ সময়তে গাড়ী, টিভি, ম'বাইল, ফ্ৰীজ, এচি আদিকে ধৰি বিভিন্ন সামগ্ৰীৰ বজাৰত বিশেষ অফাৰ আৰু উপহাৰ কুপনৰ সমাহাৰ দেখিবলৈ পোৱা যায়। ইয়াৰ সমান্তৰালভাৱে, পূজাৰ কেইটাদিন নিজক আকর্ষণীয় ৰূপত সজাই তুলিবলৈ বিউটী পার্লাৰ আৰু চেলুনসমূহতো ভিৰ হয়। একাংশ যুৱক-যুৱতী তথা মহিলা-পুৰুষে দামী দামী মেকআপ, নতুন হেয়াৰ ষ্টাইল, হেয়াৰ স্পা, ফেচিয়েল আদি কৰাত ব্যস্ত হৈ পৰে। ফলস্বৰূপে, পূজাৰ এই দিনকেইটাত পার্লাৰসমূহৰ ব্যৱসায় বহুত ভাল হয়।

শচীন্দ্ৰ কুমাৰ দাস

অসমীয়া জাতীয় জীৱনত বিহু যেনেকৈ অতি হেঁপাহৰ, ঠিক তেনেকৈ দুর্গা পূজাৰ মাদকতাও কোনো গুণে কম নহয়। বিশেষকৈ দুর্গা পূজা উলহ-মালহৰ এক অপূর্ব উৎসৱ। চৰকাৰী কর্মচাৰীয়েই হওক বা ব্যক্তিগত প্ৰতিষ্ঠানৰ কর্মচাৰীয়েই হওক, দুর্গা পূজা বুলিলেই অতিৰিক্ত বোনাছ লাভ কৰে। আনকি ব্যক্তিগত কামত নিয়োজিত ব্যক্তিসকলকো প্ৰায়বোৰ হৃদয়ৱান মালিকে বোনাছ বা নতুন পোছাক এযোৰ উপহাৰ হিচাপে দিয়ে। মুঠতে দুর্গা পূজা বুলিলে চাৰিওফালে কেৱল উলহ-মালহৰ পৰিৱেশ।

আমি যেতিয়া সৰু আছিলো, বিভিন্ন পূজা বা মেলালৈ গ'লে মা-দেউতাহঁতে কোৱা এটা শব্দ আজিও মোৰ হৃদয়ত গুঞ্জৰিত হৈ থাকে— 'দুর্গা পূজাত কিনি দিম।' কিবা নতুন কাপোৰ বা আন সামগ্ৰী ল'বলগীয়া হ'লেই তেওঁলোকে কৈছিল, 'হ'ব হ'ব, দুর্গা পূজাত ল'বা।' মা-দেউতাৰ হাতত ধৰি পূজা চোৱাৰ আনন্দই আছিল সুকীয়া। প্ৰতিমা দর্শন কৰা, কপালত ৰঙা ফোঁট আৰু নির্মালি বা প্ৰসাদ লোৱা, তাৰ পিছত পুতলা পিষ্টল বা আন খেলনা বস্তুৰ বাবে মা-দেউতাক আবদাৰ কৰা — এইবোৰ মনত পৰিলে আজিও নষ্টালজিক হৈ পৰো। পূজাৰ শুকান মিঠাই আৰু গৰম গৰম জিলাপি খোৱাৰ আনন্দই আছিল বেলেগ।

অতীতৰ সেই সৰলতাৰ বিপৰীতে বর্তমানৰ পূজাৰ বজাৰ ব্যৱস্থা বহু পৰিমাণে সলনি হৈছে। আজিকালি পূজাৰ বজাৰবোৰত আমাৰ আপুৰুগীয়া থলুৱা সামগ্ৰীৰ সলনি বিভিন্ন বহিৰাগত সামগ্ৰীৰহে বাৰুকৈয়ে আগ্ৰাসন দেখিবলৈ পোৱা যায়। কাপোৰ-কানি, পূজাৰ সজ্জা, ৰং-বিৰঙী লাইটৰ পৰা আৰম্ভ কৰি শিশুৰ খেলনালৈকে সকলোতে বহিৰাগত তথা চীনা (Chinese) সামগ্ৰীয়ে বজাৰ ভৰাই পেলায়। ফলস্বৰূপে, আমাৰ থলুৱা কুটীৰ শিল্প, স্থানীয় শিপিনী আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকল তীব্ৰ প্ৰত্যাহ্বানৰ মুখত পৰিছে। আমি যদি পূজাৰ বজাৰ কৰোতে থলুৱা উৎপাদনক অগ্ৰাধিকাৰ নিদো, তেন্তে আমাৰ স্বকীয় অর্থনীতি দুর্বল হৈ পৰিব।

কেৱল কাপোৰৰ বজাৰেই নহয়, পূজাৰ সময়তে গাড়ী, টিভি, ম'বাইল, ফ্ৰীজ, এচি আদিকে ধৰি বিভিন্ন সামগ্ৰীৰ বজাৰত বিশেষ অফাৰ আৰু উপহাৰ কুপনৰ সমাহাৰ দেখিবলৈ পোৱা যায়। ইয়াৰ সমান্তৰালভাৱে, পূজাৰ কেইটাদিন নিজক আকর্ষণীয় ৰূপত সজাই তুলিবলৈ বিউটী পার্লাৰ আৰু চেলুনসমূহতো ভিৰ হয়। একাংশ যুৱক-যুৱতী তথা মহিলা-পুৰুষে দামী দামী মেকআপ, নতুন হেয়াৰ ষ্টাইল, হেয়াৰ স্পা, ফেচিয়েল আদি কৰাত ব্যস্ত হৈ পৰে। ফলস্বৰূপে, পূজাৰ এই দিনকেইটাত পার্লাৰসমূহৰ ব্যৱসায় বহুত ভাল হয়।

আজিকালি পূজাত সুউচ্চ দেৱী প্ৰতিমা আৰু আকর্ষণীয় থীমৰ মণ্ডপ সজোৱাটো এটা ফেশ্বন হৈ পৰিছে, আনকি শ্ৰেষ্ঠ মণ্ডপৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। ইয়াৰ লগতে বর্তমান আৰু এটা নতুন আকর্ষণীয় ফেশ্বন বা ট্ৰেণ্ড আৰম্ভ হৈছে, সেয়া হ'ল আৰতি প্ৰতিযোগিতা। এই প্ৰতিযোগিতাসমূহত বিশেষকৈ আমাৰ যুৱপ্ৰজন্মই পৰম্পৰাগত সাজ-পোছাক পিন্ধি অতি উলহ-মালহেৰে ভাগ লোৱা দেখা যায়, যিয়ে পূজাৰ পৰিৱেশটোক আধ্যাত্মিকতাৰ লগতে এক সুকীয়া উৎসাহ যোগান ধৰে।

দশমীৰ দিনা যেতিয়া দুর্গা মাক জলত বিসর্জন দিয়া হয়, সেই মাৰ বিসর্জন যাত্ৰাৰ দর্শন খুব আকর্ষণীয় হয়। বিভিন্ন ঠাইৰ পৰা অহা নাৱৰীয়াসকলৰ মাজত যি নাও খেল অনুষ্ঠিত হয় সেয়া উপভোগ কৰিবলৈ অহা হাজাৰ হাজাৰ দর্শকৰ আগমনে খেলুৱৈসকলক উৎসাহিত কৰে।

সত্যৰ জয় অসত্যৰ পৰাজয় সমাজ জীৱনৰ লক্ষ্য হওক এই বার্তা প্ৰচাৰৰ বাবে ৰাৱণৰ পুত্তলিকা দাহন কৰা হয় দুর্গা পূজাৰ বিজয়ী দশমীৰ দিনা। এই মনোমোহা অনুষ্ঠানে সমাজক ধর্ম জ্ঞান আৰু সত্য পথৰ অনুগামী হ'বলৈ প্ৰেৰণা যোগায়।

আধুনিক ডিজে (DJ) বা সাংস্কৃতিক অনুষ্ঠানৰ গ্লেমাৰ যিমানেই বাঢ়ি নাযাওক কিয়, আমাৰ আপুৰুগীয়া অসমীয়া লোককৃষ্টিৰ মাদকতা কিন্তু আজিও ম্লান পৰা নাই। অসমৰ বিভিন্ন প্ৰান্তৰ দুর্গা পূজাত আজিও ওজাপালি, থলুৱা ঢুলীয়া-কালীয়া আৰু ঐতিহ্যবাহী যাত্ৰা পার্টিৰ দৰে লোক-সংস্কৃতিৰ সমাহাৰ আৰু জাকজমকতা দেখিবলৈ পোৱা যায়। ঢোল-তাল, কালীয়াৰ শব্দ আৰু ওজাপালিৰ সৰল অথচ গম্ভীৰ প্ৰদর্শনে পূজাৰ পৰিত্ৰতাক বহুগুণে বৃদ্ধি কৰে। এই লোককৃষ্টিসমূহ আজিও জীয়াই থকাটোৱে প্ৰমাণ কৰে যে নতুনত্বক আদৰি ল'লেও আমাৰ সমাজখনে নিজৰ শিপা বা সংস্কৃতিক পাহৰি যোৱা নাই।

আগতে মীনা বজাৰত চৰকা, খেলনা পিষ্টল আৰু ল'ৰা-ছোৱালীৰ দোলনা আদিয়ে ভিৰ কৰি ৰাখিছিল; কিন্তু আজিকালি মীনা বজাৰবোৰত শিশুৰ নির্ভেজাল আনন্দ বা পৰম্পৰাগত খেল-ধেমালিৰ স্থানত জুৱাৰহে (Gambling) বেছি সমাহাৰ দেখিবলৈ পোৱা যায়। নামতহে দুই-এটা দোলনা থাকে, তাৰ বিপৰীতে বিভিন্ন টকা-পইচাৰ খেল, লটাৰী আৰু ভাগ্য পৰীক্ষাৰ নামত একপ্ৰকাৰৰ জুৱাৰ মুকলি বজাৰহে গঢ়ি উঠে। ইয়াৰ ফলত মেলাৰ পৰিত্ৰ পৰিৱেশ নষ্ট হোৱাৰ লগতে বহু সাধাৰণ লোক আর্থিকভাৱেও প্ৰতাৰিত হয়।

পূজাৰ এই দিনকেইটাত আমাৰ খাদ্যাভ্যাসৰ ক্ষেত্ৰতেও এক বৃহৎ পৰিৱর্তন দেখা যায়। পূজা মণ্ডপ বা মেলাৰ আশে-পাশে চকু ফুৰালেই দেখা যায় যে শৰীৰৰ বাবে অত্যন্ত অপকাৰী ফাষ্টফুডৰ দোকানেৰে গোটেই পূজাস্থলী গিজগিজাই থাকে। ম'ম', চাউমিন, ৰোল, বার্গাৰ আদিকে ধৰি বিভিন্ন ধৰণৰ কৃত্ৰিম ৰং আৰু অস্বাস্থ্যকৰ তেলত প্ৰস্তুত কৰা মুখৰোচক খাদ্যৰ দোকানবোৰত গ্ৰাহকৰ দীঘলীয়া শাৰী দেখা পোৱা যায়। সোৱাদৰ নামত খোৱা এই সস্তীয়া আৰু অস্বাস্থ্যকৰ খাদ্যবোৰে আমাৰ শৰীৰৰ বাবে মাৰাত্মক ক্ষতি কঢ়িয়াই আনে। যাৰ ফলত পূজা পাৰ হৈ যোৱাৰ পিছতেই অসংখ্য লোক পেটৰ অসুখ বা ফুড পইজনিং আদি কঠিন বেমাৰত আক্ৰান্ত হ'ব লগা হয়।

বর্তমান সময়ত দুর্গা পূজাক কেন্দ্ৰ কৰি আমাৰ সমাজত আৰু এটা নতুন প্ৰৱণতা গঢ়ি উঠিছে। আজিকালি বহু লোকে কেৱল নিজৰ স্থানীয় বা আঞ্চলিক পূজা চোৱাতে আবদ্ধ নাথাকি, পূজাৰ আনন্দ উপভোগ কৰিবলৈ কলকাতা, মুম্বাই, দিল্লী বা দেশৰ বিভিন্ন প্ৰান্তৰ মেগা পূজা প্ৰত্যক্ষ কৰিবলৈ ঢাপলি মেলে। যিহেতু এই ৩-৪ দিন স্কুল-কলেজ, অফিচ-কাছাৰী আদি বন্ধ থাকে, সেয়েহে বহু পৰিয়ালে এই দীঘলীয়া বন্ধৰ সুযোগ লৈ বিভিন্ন পর্যটনস্থলীলৈ ফুৰিবলৈ যায়।

কিন্তু হাজাৰ ডাঙৰ চহৰৰ জাকজমকতা থাকিলেও, পূজা আচলতে নিজৰ নিজৰ অঞ্চলতে উপভোগ কৰিব লাগে। নিজৰ গাঁও বা চুবুৰিৰ মণ্ডপত আপোন মানুহখিনি, শৈশৱৰ বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ সৈতে সমবেত হৈ পূজা উপভোগ কৰাৰ যি আত্মিক আনন্দ আৰু পৰিত্ৰতা, সি দেশৰ কোনো মেগা মণ্ডপতে বিচাৰি পোৱা নাযায়। নিজৰ অঞ্চলৰ পূজাত অংশ ল'লেহে সমাজখনৰ মাজত একতা, মৰম আৰু আপোনত্বৰ ভাব বৃদ্ধি পায়।

কিন্তু এই সকলো আনন্দ আৰু উলহ-মালহৰ মাজতে বর্তমান আমাৰ অসমৰ যুৱ সমাজৰ মাজত এক অতি চিন্তনীয় বিষয় গঢ়ি উঠিছে। আজিকালি পূজাৰ আনন্দ বহুতৰে বাবে উচ্ছৃংখলতালৈ পৰিৱর্তন হোৱা দেখা যায়। বিশেষকৈ পূজাৰ দিনকেইটাত সু�ৰামত্ত হৈ তীব্ৰ গতিত মটৰ চাইকেল বা চাৰিচকীয়া বাহন চলোৱাটো এটা ডাঙৰ ফেশ্বন বা প্ৰতিযোগিতাৰ দৰে হৈ পৰিছে। হেলমেট পৰিধান নকৰাকৈ বা ত্ৰিপল ৰাইডিং কৰি চলোৱা এই বাহনবোৰৰ বাবেই প্ৰতি বছৰে ৰাজ্যখনত অসংখ্য ভয়ংকৰ পথ দুর্ঘটনা সংঘটিত হয়। ক্ষন্তেকীয়া আনন্দৰ বাবে বহু যুৱকে নিজৰ লগতে আন নিৰীহ লোকৰ জীৱনো বিপন্ন কৰি তোলে। গতিকে পূজাৰ পৰিত্ৰতা আৰু আনন্দ যাতে কাৰোবাৰ বাবে বিষাদলৈ ৰূপান্তৰ নহয়, তাৰ বাবে আমাৰ যুৱপ্ৰজন্ম আৰু অভিভাৱকসকল সচেতন হ'বই লাগিব।

যি নহওক, হাজাৰ পৰিৱর্তন আৰু সামাজিক প্ৰত্যাহ্বানৰ মাজতেও দুর্গা পূজাৰ আনন্দ সঁচাকৈয়ে বেলেগ। মা দুর্গাৰ আশীর্বাদ আৰু ঢাকৰ শব্দই প্ৰতিজন মানুহৰ মনলৈ এক অনাবিল শান্তি আৰু পৰিত্ৰতা কঢ়িয়াই আনে। সকলো নেতিবাচক দিশ আঁতৰাই আমি যদি সচেতনতাৰে, আমাৰ থলুৱা লোককৃষ্টিক আদৰি, থলুৱা শিল্পক উৎসাহ যোগাই আৰু শৃংখলাবদ্ধভাৱে নিজৰ অঞ্চলতে পূজা উদ্‌যাপন কৰো, তেন্তে এই আনন্দ চিৰকাললৈ সুন্দৰ আৰু পৰিত্ৰ হৈ ৰ'ব। ■

দুর্গা পূজা



ঐতিহ্য, আধ্যাত্মিকতা আৰু সমাজ চেতনা

প্ৰকৃতিৰ বুকুলৈ যেতিয়া শৰতৰ স্নিগ্ধ মলয়া বতাহজাক নামি আহে, নীলা আকাশৰ বুকুত শুভ্ৰ মেঘৰ খণ্ডবোৰে লুকাভাকু খেলে আৰু নৈৰ পাৰত কঁহুৱা বনৰ টোৰে এক অপূৰ্ব মায়াময় পৰিৱেশৰ সৃষ্টি কৰে, তেতিয়াই মানৱ অন্তৰত অনুৰণিত হয় দেৱী দুৰ্গাৰ আগমনৰ মধুৰ সুৰ। শাৰদীয় দুৰ্গা পূজা কেৱল এটা ধৰ্মীয় উৎসৱ নহয়, ই হ'ল একতা, আনন্দ, ঐতিহ্য আৰু অপশক্তিৰ বিৰুদ্ধে ন্যায়ৰ চিৰন্তন বিজয়ৰ প্ৰতীক। ভাৰতীয় সনাতন সংস্কৃতিৰ বুকুত এই উৎসৱটো যুগ-যুগান্তৰৰ পৰা আধ্যাত্মিক সাধনাৰ এক সৰ্বোচ্চ প্ৰকাশ হিচাপে পৰিগণিত হৈ আহিছে। শৰতৰ পুৱাৰ নিয়ৱসিক্ত শেৱালি ফুলৰ সুবাস, পুৰোহিতৰ কাৰুণ্যপূৰ্ণ মন্ত্ৰোচ্চাৰণ, ধূপ-ধূনাৰ সুগন্ধি আৰু ঢাক-ঢোলৰ ছন্দোময় ধ্বনিয়ে সমগ্ৰ বতাহক পৰিত্ৰ আৰু আনন্দময় কৰি তোলে। মানুহৰ দৈনন্দিন জীৱনৰ ক্লান্তি, বিষাদ, সংঘাত আৰু জড়তাক আঁতৰাই নতুন আশা আৰু প্ৰাণচঞ্চলতা কঢ়িয়াই অনাৰ বাবেই দুৰ্গা পূজা সমগ্ৰ বিশ্বৰ প্ৰতিজন সনাতন ধৰ্মাৱলম্বী মানুহৰ বাবে এক মহোৎসৱ। এই পূজাৰ প্ৰতিটো আচাৰ-অনুষ্ঠানৰ আঁৰত নিহিত হৈ আছে গভীৰ দাৰ্শনিক সত্য, যিয়ে মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আৰু নিষ্ঠুৰতাৰ পৰা মানৱতালৈ ধাৱমান হ'বলৈ প্ৰেৰণা যোগায়। এনে এক সৰ্বজনীন, ঐতিহ্যমণ্ডিত আৰু আত্মশুদ্ধিৰ পৰিত্ৰ পৰ্বৰ স্বৰূপ আৰু ইয়াৰ সামাজিক গুৰুত্ব গভীৰভাৱে অনুধাৱন কৰাটো আমাৰ সকলোৰে বাবে অপৰিহাৰ্য।

ঐতিহাসিক পটভূমি আৰু পৌৰাণিক আখ্যান ঃ

দুৰ্গা পূজাৰ ইতিহাস অত্যন্ত প্ৰাচীন আৰু ইয়াৰ শিপা বৈদিক যুগৰ পৰা আৰম্ভ কৰি পু�ৰাণ আৰু মহাকাব্যসমূহলৈকে বিস্তৃত হৈ আছে। মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত 'দেৱী মাহাত্ম্যম' বা শ্ৰীশ্ৰীচণ্ডীত দেৱী দুৰ্গাৰ মহিমা অতি সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে। পৌৰাণিক কাহিনী অনুসৰি, এবাৰ মহিষাসুৰ নামৰ এজন পৰাক্ৰমী অসুৰে ব্ৰহ্মাৰ পৰা বৰ লাভ কৰি ত্ৰিভুৱন জয় কৰিছিল। কোনো পুৰুষ বা দেৱতাই তাক বধ কৰিব নোৱাৰিব বুলি গৰ্বত অন্ধ হৈ সি স্বৰ্গৰ দেৱতাসকলক খেদি পঠিয়াইছিল আৰু ধৰ্ম-ন্যায় বিনষ্ট কৰি এক বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। দেৱতাসকলে উপায়হীন হৈ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ শৰণাপন্ন হয়। তেতিয়া সমস্ত দেৱতাসকলৰ ক্ৰোধ আৰু তেজৰ মিলন ঘটি এক পৰম অপূৰ্ব শক্তিৰ আৱিৰ্ভাৱ ঘটে, যিয়েই হ'ল আদিশক্তি মা দুৰ্গা। প্ৰতিজন দেৱতাই তেওঁলোকৰ নিজ নিজ অস্ত্ৰ-শস্ত্ৰ দেৱীৰ হাতত অৰ্পণ কৰিলে। তাৰ পাছত দেৱীয়ে সিংহবাহিনী হৈ মহিষাসুৰৰ বিৰুদ্ধে ন দিন ধৰি ভয়ংকৰ যুদ্ধ কৰি দশম দিনত সেই অসুৰক বিনাশ কৰে আৰু সংসাৰত শান্তি পুনৰ প্ৰতিষ্ঠা কৰে। সেইবাবেই দেৱীক 'মহিষাসুৰমৰ্দিনী' বুলি জনা যায়।

আনহাতে, বাল্মীকি ৰামায়ণ আৰু কৃত্তিবাসী ৰামায়ণত দুৰ্গা পূজাৰ আন এটা তাৎপৰ্যপূৰ্ণ কাহিনী পোৱা যায়। পূৰ্বতে দুৰ্গা পূজা বসন্ত কালত অনুষ্ঠিত হৈছিল, যাক বাসন্তী পূজা বোলা হয়। কিন্তু ত্ৰেতা যুগত লংকাধিপতি ৰাৱণক বধ কৰি সীতা উদ্ধাৰ কৰাৰ উদ্দেশ্যে ভগৱান শ্ৰীৰামচন্দ্ৰই শৰৎ কালতেই দেৱী দুৰ্গাৰ বিশেষ আৰাধনা কৰিছিল। অকালত এই পূজা অনুষ্ঠিত কৰা বাবে ইয়াক 'অকালবোধন' বুলি কোৱা হয়। ৰামচন্দ্ৰই নীলপদ্ম অৰ্পণ কৰি দেৱীক সন্তুষ্ট কৰিছিল আৰু দেৱীৰ কৃপাত ৰাৱণক পৰাস্ত কৰি ধৰ্মৰ পুনৰুদ্ধাৰ কৰিছিল। এইদৰে

প্ৰেম বৈষ্ণৱ

পৌৰাণিক যুগত সৃষ্টি হোৱা অন্যায়ৰ বিনাশ আৰু সত্যৰ প্ৰতিষ্ঠাৰ বাণীয়ে আজিও দুৰ্গা পূজাৰ মাধ্যমেৰে আমাৰ মাজত সঞ্জীৱিত হৈ আছে।

দুৰ্গা পূজাৰ ইতিহাস অত্যন্ত প্ৰাচীন আৰু ইয়াৰ শিপা বৈদিক যুগৰ পৰা আৰম্ভ কৰি পু�ৰাণ আৰু মহাকাব্যসমূহলৈকে বিস্তৃত হৈ আছে। মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত 'দেৱী মাহাত্ম্যম' বা শ্ৰীশ্ৰীচণ্ডীত দেৱী দুৰ্গাৰ মহিমা অতি সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে। পৌৰাণিক কাহিনী অনুসৰি, এবাৰ মহিষাসুৰ নামৰ এজন পৰাক্ৰমী অসুৰে ব্ৰহ্মাৰ পৰা বৰ লাভ কৰি ত্ৰিভুৱন জয় কৰিছিল। কোনো পুৰুষ বা দেৱতাই তাক বধ কৰিব নোৱাৰিব বুলি গৰ্বত অন্ধ হৈ সি স্বৰ্গৰ দেৱতাসকলক খেদি পঠিয়াইছিল আৰু ধৰ্ম-ন্যায় বিনষ্ট কৰি এক বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। দেৱতাসকলে উপায়হীন হৈ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ শৰণাপন্ন হয়। তেতিয়া সমস্ত দেৱতাসকলৰ ক্ৰোধ আৰু তেজৰ মিলন ঘটি এক পৰম অপূৰ্ব শক্তিৰ আৱিৰ্ভাৱ ঘটে, যিয়েই হ'ল আদিশক্তি মা দুৰ্গা। প্ৰতিজন দেৱতাই তেওঁলোকৰ নিজ নিজ অস্ত্ৰ-শস্ত্ৰ দেৱীৰ হাতত অৰ্পণ কৰিলে। তাৰ পাছত দেৱীয়ে সিংহবাহিনী হৈ মহিষাসুৰৰ বিৰুদ্ধে ন দিন ধৰি ভয়ংকৰ যুদ্ধ কৰি দশম দিনত সেই অসুৰক বিনাশ কৰে আৰু সংসাৰত শান্তি পুনৰ প্ৰতিষ্ঠা কৰে। সেইবাবেই দেৱীক 'মহিষাসুৰমৰ্দিনী' বুলি জনা যায়।

দেৱী দুৰ্গাৰ স্বৰূপ আৰু প্ৰতীকী তাৎপৰ্য ঃ

দেৱী দুৰ্গাৰ মৃণ্ময়ী মূৰ্তিটো কেৱল এক কল্পিত অৱয়ব নহয়, ই এক গভীৰ দাৰ্শনিক তত্ত্বৰ মূৰ্ত প্ৰতীক। মা দুৰ্গাৰ দশভুজা অৰ্থাৎ দহখন হাত থাকে। এই দহখন হাতে দহোটা দিশৰ পৰা সৃষ্টি হোৱা অপশক্তি আৰু সংকটক ৰক্ষা কৰাৰ সামৰ্থ্যক বুজায়। দেৱীৰ হাতত থকা ত্ৰিশূল, চক্ৰ, ধনু-কাঁড়, তৰোৱাল আদি প্ৰতিটো অস্ত্ৰই মানুহৰ মনত থকা কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্যৰ দৰে ষড়ৰিপুক দমন কৰাৰ প্ৰতীক। দেৱীৰ বাহন সিংহ হ'ল সাহস, শৌৰ্য আৰু পৰাক্ৰমৰ প্ৰতীক। দেৱীৰ পদতলত থকা মহিষাসুৰ হ'ল অজ্ঞানতা, অহংকাৰ আৰু পাশৱিক প্ৰবৃত্তিৰ প্ৰতীক। যেতিয়া দিব্যশক্তিয়ে পশু শক্তিক দমন কৰে, তেতিয়াই জীৱাত্মাৰ মুক্তি সম্ভৱ হয়।

মা দুৰ্গাৰ লগত তেওঁৰ চাৰি সন্তান ক্ৰমে লক্ষ্মী, সৰস্বতী, কাৰ্তিক আৰু গণেশ অধিষ্ঠিত থাকে। দেৱী লক্ষ্মী ধন-ধান্য আৰু সমৃদ্ধিৰ প্ৰতীক, দেৱী সৰস্বতী জ্ঞান, বিদ্যা আৰু কলাৰ প্ৰতীক, কাৰ্তিক শৌৰ্য আৰু যুদ্ধবিদ্যাৰ প্ৰতীক আৰু সিদ্ধিদাতা গণেশ জ্ঞান, বুদ্ধি আৰু শুভ আৰম্ভণিৰ প্ৰতীক। এই পঞ্চশক্তিৰ সমন্বয়ে বুজায় যে এখন সুখী আৰু শান্তিপূৰ্ণ সমাজ গঢ়িবলৈ হ'লে সমৃদ্ধি, জ্ঞান, শক্তি আৰু শুভ বুদ্ধিৰ সমিলমিল অত্যন্ত প্ৰয়োজনীয়। এই মূৰ্তিয়ে আমাক এটা পৰিয়াল আৰু এখন সমাজৰ মাজত একতা আৰু ভাৰসাম্য বজাই ৰখাৰ এক মহৎ শিক্ষা প্ৰদান কৰে।

শৰতৰ প্ৰকৃতি আৰু পূজাৰ আগমন ঃ

শৰৎ আৰু দুৰ্গা পূজা পৰস্পৰৰ লগত ওতপ্ৰোতভাৱে জড়িত। বৰ্ষাৰ ঘনঘোৰ মেঘ আৰু কদৰ্য বৰষুণৰ অন্ত পৰাৰ পাছত শৰতৰ আগমন ঘটে। শৰতৰ স্নিগ্ধ জোনাক ৰাতি, শীতল মলয়া আৰু নদীৰ বালিসুঁতিত ফুলা কঁহুৱা ফুলৰ শুভ্ৰতাই এক অপূৰ্ব ধৰ্মীয় আৰু প্ৰাকৃতিক উন্মাদনাৰ সৃষ্টি কৰে। অসম আৰু সমগ্ৰ পূব ভাৰতত এই সময়ছোৱাত শেৱালি ফুলৰ সুবাসে চৌপাশ সুবাসিত কৰি তোলে। পু�ৰাৰ কুঁৱলী ফালি ওলোৱা কোমল ৰ'দে মানুহৰ মনলৈ এক অপাৰ আনন্দ লৈ আহে। গ্ৰাম্য জীৱনৰ পৰা আৰম্ভ কৰি চহৰীয়া পৰিৱেশলৈকে সকলোতে কেৱল এক উৎসৱমুখী প্ৰস্তুতি দেখা যায়। শিপিনীসকলে তাঁতশালত নতুন কাপোৰ বোৱে, ব্যৱসায়ীসকলে দোকান-পোহাৰ সজাই তোলে আৰু মৃৎশিল্পীসকলে কেইবামাহো পূৰ্বৰ পৰাই নিজৰ শিল্পকৰ্মৰে দেৱীৰ সুন্দৰ প্ৰতিমাসমূহ নিৰ্মাণ কৰাত আত্মনিয়োগ কৰে। শৰতৰ এই মনোৰম পৰিৱেশে পূজাৰ আনন্দক দুগুণ কৰি তোলে।

পূজাৰ বিভিন্ন পৰ্ব আৰু নীতি-নিয়ম ঃ

দুৰ্গা পূজাৰ ধৰ্মীয় ক্ৰমটো কেইবাটাও পৰিত্ৰ পৰ্বত বিভক্ত। পূজাৰ সূচনা হয় 'মহালয়া'ৰ জৰিয়তে। মহালয়াৰ দিনা পূৰ্বপুৰুষসকলৰ উদ্দেশ্যি তৰ্পণ কৰা হয় আৰু দেৱীক মৰ্ত্যলৈ আহ্বান জনোৱা হয়। আকাশবাণীৰ জৰিয়তে সম্প্ৰচাৰিত বীৰেন্দ্ৰকৃষ্ণ ভদ্ৰৰ কণ্ঠৰ 'মহিষাসুৰমৰ্দিনী'ৰ পৰিত্ৰ চণ্ডীপাঠে প্ৰতিজন ভক্তৰ অন্তৰত দেৱীৰ আগমনৰ বাৰ্তা কঢ়িয়াই আনে।

ইয়াৰ পাছত আৰম্ভ হয় মূল পূজাৰ ষষ্ঠী তিথি। ষষ্ঠীৰ দিনা দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস কৰা হয়। বেল গছৰ তলত দেৱীৰ প্ৰাণপ্ৰতিষ্ঠা কৰাৰ এই নিয়মক 'বিল্ববোধন' বোলে। সপ্তমীৰ দিনা পুৱা নৱপত্ৰিকা অৰ্থাৎ কলগছসহ নবিধ শস্য আৰু উদ্ভিদক দেৱীৰ ৰূপত স্নান কৰাই মণ্ডপত প্ৰতিষ্ঠা কৰা হয়। ই প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি মানুহৰ শ্ৰদ্ধাৰ এক অনন্য প্ৰতীক। মহাঅষ্টমী পূজাৰ দিনটো আটাইতকৈ গুৰুত্বপূৰ্ণ। এই দিনা দেৱীক বিশেষ ভোগ আৰু আৰতিৰে আৰাধনা কৰা হয়। অষ্টমী আৰু নৱমীৰ সন্ধিক্ষণত অনুষ্ঠিত হয় 'সন্ধিপূজা', য'ত দেৱী চামুণ্ডাৰ ৰূপত আৱিৰ্ভাৱ হৈ চণ্ড আৰু মুণ্ড নামৰ অসুৰক নিধন কৰিছিল বুলি বিশ্বাস কৰা হয়। মহাষ্টমীৰ আন এটা আকৰ্ষণীয় অনুষ্ঠান হ'ল 'কুমাৰী পূজা', য'ত সৰু কন্যাক দেৱীৰ জীৱন্ত স্বৰূপ হিচাপে পূজা

■ নৱম পৃষ্ঠাত

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

দুর্গা পূজা ঃ ঐতিহ্য, আধ্যাত্মিকতা আৰু সমাজ চেতনা

কৰা হয় আৰু নাৰী শক্তিক সর্বোচ্চ সন্মান জনায়। নৱমীৰ দিনা হোম-যজ্ঞ আৰু বলিদানৰ জৰিয়তে পূজাৰ সামৰণি পর্বৰ প্রস্তুতি চলোৱা হয়। শেষত আহে বিজয়া দশমী। দশমীৰ দিনা দেৱীৰ বিসর্জন দিয়া হয়। দেৱীক বিদায় দিওঁতে ভক্তসকলৰ চকু অশ্রুসিক্ত হৈ পৰে। দেৱীৰ মূর্তি নদীত বিসর্জন দিয়াৰ পাছত আৰম্ভ হয় শুভেচ্ছা বিনিময়ৰ পর্ব, য'ত কনিষ্ঠসকলে জ্যেষ্ঠসকলক সেৱা জনায় আৰু জ্যেষ্ঠসকলে আশীর্বাদ কৰে।

সমাজ জীৱনত দুর্গা পূজাৰ সাংস্কৃতিক আৰু অর্থনৈতিক প্রভাৱ ঃ

দুর্গা পূজা কেৱল মন্দিৰ বা ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ ধর্মীয় কর্মকাণ্ড নহয়, ই এক সর্বজনীন সামাজিক আৰু সাংস্কৃতিক মহোৎসৱ। এই পূজাই জাতি, ধর্ম, বর্ণ আৰু ভাষাৰ সকলো সংকীর্ণ ভেদাভেদ পাহৰাই মানুহক একতাৰ ডোলেৰে বান্ধি ৰাখে। পূজাৰ দিনকেইটাত ধনী-দুখীয়াৰ কোনো ব্যৱধান নাথাকে। সকলোৱে একেলগে শাৰী পাতি দেৱী দর্শন কৰে, ভোগ গ্রহণ কৰে আৰু আনন্দ-উল্লাসত অংশ লয়। মণ্ডপে মণ্ডপে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, যেনে— নৃত্য, নাটক, সংগীত আৰু আলোচনাচক্র অনুষ্ঠিত হয়, যিয়ে সমাজৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশক ত্বৰান্বিত কৰে।

অর্থনৈতিক দিশৰ পৰাও দুর্গা পূজাৰ তাৎপর্য অপৰিসীম। এই উৎসৱক কেন্দ্র কৰি কোটি কোটি টকাৰ ব্যৱসায়-বাণিজ্য সম্পন্ন হয়। মৃৎশিল্পী, তাঁতী, বস্ত্র ব্যৱসায়ী, ফুল বিক্রেতা, আলোকসজ্জা শিল্পী, ঢুলীয়া আৰু সৰু-বৰ সকলো শ্রেণীৰ ব্যৱসায়ীৰ বাবে এই সময়ছোৱা উপার্জনৰ এক সোণালী সুযোগ। গ্রামাঞ্চলৰ অর্থনীতিতো ই এক নতুন গতিশীলতা আনি দিয়ে। বহু দৰিদ্র পৰিয়ালে এই সময়তে উপার্জন কৰা ধনেৰে গোটেই বছৰটোৰ অভাৱ-অনাটন জোৰা মাৰে। গতিকে আধ্যাত্মিক পৰিতুষ্টিৰ উপৰি সমাজৰ অর্থনৈতিক চালিকাশক্তি হিচাপেও দুর্গা পূজাই এক সক্রিয় ভূমিকা পালন কৰে।

অসমৰ পটভূমিত দুর্গা পূজাৰ ঐতিহ্য আৰু স্বকীয়তা ঃ

অসমত দুর্গা পূজাৰ ইতিহাস অতি গৌৰৱোজ্জ্বল আৰু প্রাচীন। শক্তিপীঠ কামাখ্যা দেৱালয়ক সমগ্র বিশ্বৰ তন্ত্র আৰু শক্তি সাধনাৰ প্রাণকেন্দ্র বুলি গণ্য কৰা হয়। কামাখ্যাত দুর্গা পূজা অত্যন্ত নিষ্ঠা আৰু প্রাচীন তান্ত্রিক পৰম্পৰাৰে অনুষ্ঠিত হয়, য'ত নৰৰাত্রিৰ বিশেষ মহিমা দেখা যায়। ইয়াৰ উপৰি ঐতিহাসিকভাৱে কোচ ৰজা বিশ্বসিংহ, নৰনাৰায়ণ আৰু চিলাৰায়ৰ পৃষ্ঠপোষকতাত অসমত দুর্গা পূজাই এক বিশেষ ৰূপ লাভ কৰিছিল। কোচবিহাৰৰ দৰে গোৱালপাৰা আৰু ধুবুৰী অঞ্চলত ঐতিহাসিক ৰাজকীয় পূজাৰ ঐতিহ্য আজিও সংৰক্ষিত হৈ আছে। আহোম ৰজা প্রতাপসিংহ, ৰুদ্রসিংহ আৰু শিৱসিংহৰ দিনতো ৰাজকীয় পৃষ্ঠপোষকতাত জয়সাগৰৰ দেৱীদ'ল আৰু অন্যান্য স্থানত দুর্গা পূজা জাকজমকতাৰে অনুষ্ঠিত হৈছিল।

বর্তমান সময়ত অসমৰ চহৰে-নগৰে, বিশেষকৈ গুৱাহাটী, শিলচৰ, ডিব্রুগড়, যোৰহাট, তেজপুৰ আদি স্থানত ৰাজহুৱা দুর্গা পূজাবোৰ অত্যন্ত উলহ-মালহেৰে অনুষ্ঠিত হয়। অসমৰ দুর্গা পূজাৰ এক বিশেষত্ব হ'ল ইয়াৰ শান্তিপূর্ণ আৰু সাম্প্রদায়িক সম্প্রীতিৰ পৰিৱেশ। হিন্দু, মুছলমান আৰু অন্যান্য জনগোষ্ঠীয় লোকসকলে মিলি পূজা পৰিচালনা সমিতিত কাম কৰা আৰু সকলোৱে মিলি পূজাৰ আনন্দ উপভোগ কৰা দৃশ্যই অসমীয়া সমাজৰ সমন্বয় আৰু ভাতৃত্ববোধক বিশ্বৰ দৰবাৰত তুলি ধৰে।

আধুনিকতাৰ পৰশ আৰু সচেতনতাৰ প্রয়োজনীয়তা ঃ

আধুনিক বিজ্ঞান-প্রযুক্তি আৰু পশ্চিমীয়া ভোগবাদী সংস্কৃতিৰ প্রভাৱত বর্তমান দুর্গা পূজাৰ বাহ্যিক ৰূপত বহুখিনি পৰিৱর্তন ঘটিছে। আজিকালি পূজাত আকাশলংঘী বাজেট, বিশাল আকর্ষণীয় থিমৰ মণ্ডপ আৰু চমকপ্রদ আলোকসজ্জাৰ প্রতিযোগিতা দেখা যায়। আধুনিকতাৰ এই স্পর্শই উৎসৱটোক দৃষ্টিসুখকৰ কৰি তুলিলেও বহু সময়ত ইয়াৰ প্রকৃত আধ্যাত্মিক আৰু শান্তিপূর্ণ ভাবধাৰা ম্লান পৰাৰ আশংকা থাকে। পূজা মণ্ডপসমূহত হোৱা অতিমাত্রা শব্দ প্রদূষণ, প্লাষ্টিক আৰু অবিকল থার্মকলৰ অপব্যৱহাৰ আৰু নদীৰ পানীত ৰাসায়নিক ৰংযুক্ত প্রতিমা বিসর্জনৰ ফলত হোৱা পৰিৱেশ প্রদূষণ বর্তমান সময়ৰ এক জ্বলন্ত সমস্যা হৈ পৰিছে।

সেইবাবেই আজিৰ সচেতন নাগৰিক হিচাপে আমাৰ দায়িত্ব হৈছে দুর্গা পূজাক এক পৰিৱেশ-অনুকূল উৎসৱ হিচাপে গঢ়ি তোলা। কেৱল মাটি আৰু প্রাকৃতিক ৰং ব্যৱহাৰ কৰি প্রতিমা নির্মাণ কৰা, প্লাষ্টিকৰ ব্যৱহাৰ সম্পূর্ণ বর্জন কৰা আৰু নির্দিষ্ট আবদ্ধ স্থানত প্রতিমা বিসর্জন দিয়াৰ ব্যৱস্থা কৰা উচিত। পূজাৰ নামত কৰা অতিৰিক্ত অপব্যয় হ্রাস কৰি সেই ধনেৰে সমাজৰ অনাথ, দুখীয়া আৰু চিকিৎসাধীন লোকসকলৰ সেৱা কৰিলেহে দুর্গা পূজাৰ প্রকৃত উদ্দেশ্য সার্থক হ'ব। আড়ম্বৰতকৈ আন্তৰিক ভক্তি আৰু সামাজিক দায়বদ্ধতাহে এই পূজাৰ মূল নীতি হোৱা উচিত।

শাৰদীয় দুর্গা পূজা হ'ল মানৱ সভ্যতাৰ ইতিহাসত শুভ শক্তিৰ অপৰাজেয় উত্থান আৰু অশুভ শক্তিৰ চৰম পৰাজয়ৰ এক চিৰন্তন স্মাৰক। এই মহোৎসৱে কেৱল এটা পৌৰাণিক যুদ্ধৰ কথা সোঁৱৰাই দিয়াৰ লগতে প্রতিজন মানুহৰ হৃদয়ৰ ভিতৰত অহৰহ চলি থকা ভাল আৰু বেয়াৰ সংগ্রামখনৰ কথা মনত পেলাই দিয়ে। মহিষাসুৰ বাহিৰত নহয়, আমাৰ মনৰ ভিতৰতে হিংসা, বিদ্বেষ, অহংকাৰ, লোভ, নাৰীৰ প্রতি কুদৃষ্টি আৰু পশুত্বৰ ৰূপত বাস কৰে। এই সকলো অন্তর্নিহিত কু-প্রবৃত্তিক জ্ঞান, ভক্তি, সদাচাৰ আৰু আত্মনিয়ন্ত্রণৰূপী অস্ত্রৰে বিনাশ কৰাটোহে দুর্গা পূজাৰ সর্বোচ্চ আধ্যাত্মিক আহ্বান। যেতিয়ালৈকে আমি নিজৰ মনৰ পৰা এই আসুৰিক মানসিকতা দূৰ কৰিব নোৱাৰিম, তেতিয়ালৈকে দেৱীৰ প্রতিমাৰ সন্মুখত কৰা কোটি কোটি টকাৰ আৰাধনাও অর্থহীন হৈ ৰ'ব।

দেৱী দুর্গা হ'ল নাৰী শক্তিৰ সর্বোচ্চ প্রকাশ। আজিৰ সমাজত নাৰীৰ সুৰক্ষা, মর্যাদা আৰু স্বাৱলম্বিতা সুনিশ্চিত কৰাটোহে হ'ব দেৱীৰ প্রকৃত পূজা। দেৱী যেনেকৈ মাতৃৰূপিণী, তেনেকৈয়ে তেওঁ সংহাৰকাৰিণী। তেওঁৰ পূজাৰ মাধ্যমেৰে আমি সমাজৰ পৰা সকলো অন্যায়, অবিচাৰ, ধর্মীয় সংকীর্ণতা আৰু শোষণক বিনাশ কৰি এখন সাম্য, মৈত্রী আৰু প্রেমপূর্ণ সমাজ গঢ়াৰ সংকল্প গ্রহণ কৰিব লাগিব। বিজয়া দশমীৰ পৰিত্র মুহূর্তত প্রতিমা বিসর্জন দিলেও দেৱীৰ শান্তিদায়ী আশীর্বাদ আৰু মহান নীতিশিক্ষাবোৰ যেন আমাৰ অন্তৰত আজীৱন জীয়াই থাকে, সেয়াই হওক আমাৰ একমাত্র প্রার্থনা। শৰতৰ এই পৰিত্র আলোকে সমগ্র ধৰাৰ অন্ধকাৰ দূৰ কৰি সকলোৰে জীৱনলৈ সুখ, শান্তি, সমৃদ্ধি আৰু ভাতৃত্ববোধ কঢ়িয়াই আনক, সেয়াই দুর্গা পূজাৰ চিৰন্তন বার্তা। ■

চতুর্থ পৃষ্ঠাৰ পৰা ঃ —

আহিনমহীয়া

হৈ পৰিছিল। প্রকৃতিৰ বিনন্দীয়া ৰূপত আত্মহাৰা হৈ পৰা মৌ-মাখিবোৰেও মৌচাকৰ মৌ গোটোৱা কার্যত ব্যস্ত হৈ পৰে এই শৰৎ কালতে এই আহিনতে। ভোমোৱা আৰু পখিলাবোৰেও ফুলৰ পৰা মধু পান কৰাত ব্যস্ত হৈ পৰে এই সময়ছোৱাতে। এই কথা সকলোৱে স্বীকাৰ কৰে যে আহিন আৰু শৰতৰ নান্দনিক সৌন্দর্যই সকলোকে মোহিত কৰে। জন কীটচৰ 'অড টু অটম, গুৰুজনাৰ দশকৰ সেই ৰাসক্রীড়াৰ বর্ণনা, ৰবীন্দ্রনাথৰ শাৰদ প্রীতি, আৰু পার্বতি প্রসাদৰ শুকুলা ডাৱৰৰ ঐ কঁহুৱা ফুলে... আহিন আৰু শৰতত ৰোমাঞ্চিত হ'বলৈ সকলোকে প্রেৰণা যোগাই আহিছে।

পার্বতি প্রসাদ ৰোমাণ্টিক আধুনিক কবিসকলৰ ভিতৰত তেখেতক গীতি কবি হিচাপে জনা যায়। পার্বতি প্রসাদে গুণগুণনি, লুইতী, ভগা টোকাৰীৰ সুৰ, শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল আৰু খেল ভঙা খেল নামৰ পাঁচখন গীতি কবিতা পুথি লিখি থৈ গৈছে। শৰৎ বর্ণন আৰু গীতি কবিতাৰ ক্ষেত্রত আজিও পার্বতি প্রসাদ অসমীয়া সাহিত্যত 'মাইলৰ খুঁটি'স্বৰূপ হৈ আছে। পার্বতি প্রসাদৰ কবিতাবোৰ সহজবোধ্য আৰু ঘৰুৱা শব্দৰ সম্ভাৰেৰে সমৃদ্ধ আছিল। মহাকবি কালিদাসৰ পৰা ৰবীন্দ্রনাথলৈ শৰতক লৈ কতজনে যে কি কৰা নাই। কবিয়ে শৰতৰ কবিতাত কেতিয়াবা অকলে ধান দাই থকা দাৱনী, কেতিয়াবা মৌভৰা ভঁৰালৰ পিৰালিত দীঘল চুলিটাৰি মেলি শুই থকা আদর্শ গৃহিণীৰূপে কল্পনা কৰিছিল শৰৎ ঋতুক। শৰতৰ নিজা বৈশিষ্ট্য আছে। এই শৰততে দেৱতাসকলে অসুৰক নিধনৰ কাৰণে দেৱী দুর্গাক পূজা কৰিছিল। সেইবাবেই শৰৎ ঋতু সর্বশক্তিমান, দুর্গতিনাশিনীৰ প্রতীক। শৰৎ কালত চর্চা হোৱা গীত-কবিতা, চিত্র-সুৰ সকলো অনন্য। গীত হ'ল কবিতা-চিত্র আৰু সুৰৰ ত্রিবেণী সংগম। কবিতাভাগত থাকে কথা ছন্দ, অনুভূতি। চিত্রভাগত থাকে ৰং আৰু ধাৰণা। সুৰত থাকে তাল-লয় আৰু স্বৰৰ লহৰ। ড° ভূপেন হাজৰিকাৰ গীততো শৰতৰ বর্ণময় জীৱনৰ অনুপম চিত্র দেখা যায়। উদাহৰণস্বৰূপে শাৰদী ৰাণী তোমাৰ হেনো নাম আৰু শৰতৰ শেৱালিৰ নতুন নিয়ৰ গীতসমূহত হাজৰিকাই শৰতৰ অপূর্ব চিত্রণ অংকন কৰিছে। শৰতৰ প্রকৃতি সুস্থ, ধীৰ-স্থিৰ, সেউজীয়া আৰু মুকলি মনেৰে প্রবাহিত এক অনুপম ধাৰা। কবিৰ মনত শৰৎ কেৱল ঋতুৰেই নহয়। শৰতক কবিয়ে কল্পনা কৰিছে মিঠা মিঠা পুৱাৰ ৰ'দত মূৰত বগা ডাৱৰৰ পাগুৰি মাৰি নিয়ৰৰ দলিচাত তলসৰা শেৱালি বুটলিবলৈ হাতত ফুলৰ কুকি লৈ মৌ-মাখিৰ গুণগুণনি শুনিবলৈ আগ্রহেৰে বাট চাই থকা এগৰাকী প্রকৃতিপ্রেমী হিচাপে। শৰতৰ এনে উদ্দামতাই যুগে যুগে মানুহক দি আহিছে সুখৰ আৰু অনাবিল আনন্দৰ মোহনীয় ৰূপ আৰু ৰস। শৰতৰ উন্মাদনা ভৰা এনে সৌন্দর্যক নান্দনিকতাৰ এক চিৰন্তন চিত্র বুলি অভিহিত কৰিব পাৰি। শৰৎ কালৰ এনে সুখময় পৰিৱেশে যেন পৃথিৱীৰ চিৰন্তন সৌন্দর্যৰ দুৱাৰ সকলোৰে বাবে মুকলি কৰি ৰাখিছে। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

দুর্গোৎসৱৰ উৎপত্তি আৰু বিকাশ

বংগীয় সামন্ত শ্রেণীয়ে আভিজাত্যৰ প্রতীক হিচাপে দুর্গা পূজাৰ প্রচলন কৰিছিল।

পৰৱর্তী ১৯১৮ চনত পশ্চিমবংগৰ যুৱকসকলে দুর্গা পূজাক বাৰোৱাৰী পূজা হিচাপে সার্বজনীনতা দি এই পূজা সকলোৰে বাবে প্রৱেশ দুৱাৰ খুলি দিছিল।

আমাৰ অসমত নৱম আৰু দ্বাদশ শতিকাত মাটিৰ তলত বহুত শিল আৰু ধাতুৰে নির্মিত নাৰী মূর্তি পোৱা গৈছে। তাৰ ভিতৰত দুর্গা গোসাঁনীৰ মূর্তিয়েই সৰহ। পুৰণি কালত শিল আৰু ধাতুৰে বিভিন্ন ধৰণৰ অস্ত্র, বাচন-বর্তন আৰু মূর্তি বনাইছিল। তাৰ পৰাই পৰৱর্তী মূর্তি পূজাৰ প্রচলন হয় বুলি ভবাৰ থল আছে।

কালিকা পু�ৰাণ আৰু যোগিনীতন্ত্রত দেৱী পূজাৰ উল্লেখ আছে। আহোম যুগত অসমত দুর্গোৎসৱ ব্যাপকভাৱে উদ্‌যাপন কৰা দেখা যায়। স্বর্গদেউ ৰুদ্রসিংহৰ ৰাজত্বকালত পশ্চিমবংগৰ পৰা দুর্গা পূজা অসমত আনি প্রচলন কৰে বুলি ইতিহাসবিদসকলে মন্তব্য কৰিছে। ৰাণী ফুলেশ্বৰী দেৱীৰ সময়ত কবি অনন্ত আচার্যই সংস্কৃত ভাষাৰ 'সৌন্দর্য লহৰী' আনন্দ লহৰী নামেৰে অসমীয়া ভাষাত অনুবাদ কৰিছিল; য'ত দেৱীৰ মাহাত্ম্য আৰু সৌন্দর্যৰ বর্ণনা আছে। স্বর্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত কবি ৰুচিনাথ কন্দলিয়ে মার্কণ্ডেয় চণ্ডীপুৰাণ আৰু কল্কি পুৰাণ, কালিকা পুৰাণৰ পৰা লোৱা। কবি ৰামচন্দ্র ৰৰপাত্রই যোগিনীতন্ত্র অনুবাদ কৰিছে। এই আটাইবোৰ গ্রন্থ শাক্ত ধর্মৰ অৱলম্বনত ৰচিত।

ড° বাণীকান্ত কাকতিদেৱে এই দেৱীৰ চাৰিটাস্বৰূপ, যেনে— মাতৃৰূপা, পত্নীৰূপা, কুমাৰী, ত্রিপুৰা সুন্দৰীৰূপা, সংহাৰৰূপিণী, কেঁচাইখাঁতীৰূপে বর্ণনা কৰি তাৰ ভিতৰত মাতৃৰূপা কামাখ্যাক শক্তিৰ প্রধান উৎস বুলি কৈছে।

এই দুর্গা দেৱীক অসমৰ বিভিন্ন ঠাইত বিভিন্ন নামেৰে জনা যায়। লখিমপুৰত কেঁচাইখাঁতী, নীল গোসাঁনী মালিনী, শিৱসাগৰত দুর্গা, গৌৰী, বুঢ়ীগোসাঁনী, নগাঁৱত কামাখ্যা, মহালয়া, চামুণ্ডা, মহিষমর্দিনী, কামৰূপত কামাখ্যা, উগ্রতাৰা, ভুৱনেশ্বৰী, চণ্ডিকা, জয়দুর্গা, নাহেশ্বৰী, ব্যাঘ্রেশ্বৰী, গোৱালপাৰাত মা দুর্গা, মা ভৱানী, পার্বতী, মহিষমর্দিনী, মনসা আদিৰূপে জনা যায়।

এনেদৰে গোটেই পৃথিৱীতে বিভিন্ন ৰূপত দেৱীক পূজা উপাসনা কৰাৰ দৰে আমাৰ ভা�ৰতবর্ষতো বিভিন্ন ৰূপত দেৱীৰ পূজা-অর্চনা পৰম্পৰাগতভাৱে চলি আছে। ড° প্রফুল্ল দত্ত গোস্বামীদেৱৰ মতে দেৱী পূজা বা দুর্গা পূজা সম্পর্কে আৰু বিতংকৈ গৱেষণা কৰাৰ থল আছে। ■

পথভ্রষ্ট

ৰঞ্জিতা শর্মা

ৰুদ্রমূর্তি ধৰি পুৱাতে সূর্যটো ওলাইছে। এইকেইদিন অসহ্য গৰমৰ প্রকোপ। জীয়ামণিয়ে পঢ়া টেবুলত বহি আধৰুৱা নোটটো লিখিলে। বিশ্ববিদ্যালয়ৰ ছাত্রী তাই। মহানগৰীতে ঘৰ বাবে ঘৰৰ পৰা অহা-যোৱা কৰি পঢ়িবলৈ ভাগ্য মিলিছে। তাই মনে মনে কেতিয়াবা ভাবে তাই মেধাসম্পন্ন বাবে পৰীক্ষাত সুখ্যাতিৰে উত্তীর্ণ হৈ গৈ আছে। কিন্তু তাই যেন নিজকে হেৰুৱাই পেলাইছে। মনটো অস্থিৰ হৈ পৰিল তাইৰ। ক্লাছলৈ নোযোৱাটোকে ঠিক কৰিলে। মাকে ক্লাছলৈ নাযাব নেকি বুলি সোধাত, তাই গাটো ভাল নহয় বুলি কৈ থ'লে।

দুপৰীয়া ভাত খাই উঠি নিজৰ কোঠাত সোমাই বিছনাত বাগৰি থাকিল। বিভিন্ন চিন্তাই তাইৰ মন-মগজু অস্থিৰ কৰি তুলিলে। অম্লানৰ প্রকৃত পৰিচয় পাই তাই মানসিকভাৱে ভাগি পৰিছে। কিন্তু তাই বহুত আগবাঢ়িল। অম্লানৰ বহুত ওচৰ চাপিল। অম্লান এজন মেকানিক বুলি তাই জনা নাছিল। অম্লানে ব্যৱসায় কৰা বুলি তাইক মিছা কথা কৈছিল। অম্লানৰ প্রেমত পৰি তাই অন্ধ হৈ পৰিছিল। অম্লানক এৰিবলৈ তাই নোৱাৰে। কেইবানিশাও তাই অম্লানৰ সৈতে হোটেলত কটালে। সেয়া তাই কেনেকৈ পাহৰিব পাৰিব।

তাইৰ দেউতাক-মাকে তাই আৰু ভায়েকৰ বাবে কিমান কষ্ট কৰিছে। সিহঁত দুটাক শিক্ষা-দীক্ষাৰে উপযুক্ত কৈ গঢ়ি তোলাৰ বাবে কিমান জল্পনা-কল্পনা ৰচিছে। মাকে তাইক আৰু ভায়েকক নৈতিক শিক্ষাৰ পাঠ নিতৌ দিছিল। কিন্তু তাই মাকৰ কথা সমূলি গুৰুত্ব নিদিলে।

মাকে তাইক মৰমেৰে কৈছিল— 'মাজনী, ছোৱালী মানুহ অলৌতলৌকে ঘুৰি নুফুৰে। ৰাতি থকা কৈ বান্ধৰীৰ ঘৰত কিয় যাব লাগে।'

তাই খঙেৰে মাকক কৈছিল, 'অযুক্তিকৰ কথাবোৰ কৈ নাথাকিবা। এতিয়া তোমাৰ সেই আগৰ দিন নাই। ল'ৰা-ছোৱালী সমান।' দেউতাকেও মাকৰ লগত সুৰ মিলাই কৈছিল, 'মাজনী ভাল মানুহ হ'বলৈ শিক্ষা-দীক্ষাৰ লগতে মানৱীয় গুণসম্পন্ন হ'ব লাগিব। ছোৱালী মানুহ স্কুটিখন লৈ যেনিতেনি ঘুৰি নুফুৰিবি চোন।'

'কি যে চিন্তাবোৰ কৰি থাকা নহয়। হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত সুখ্যাতিৰে উত্তীর্ণ হোৱা বাবে স্কুটিখন পাইছিলো। মই নিজে পোৱা স্কুটিখন চলাইছো। তেলৰ খৰচটো বাৰু তোমাৰ পৰা লৈছো। পিছলৈ চাকৰি কৰিলে সেয়াও নলওঁ বুজিছা। মই এতিয়া ভাল-বেয়া চিন্তা কৰিব পৰা হৈছো।'

তাই কোনো দিনে মাক-দেউতাকে উপদেশ নুশুনিলে। তাই মাক-দেউতাকৰ অলক্ষিতে অবাটে গ'ল। অম্লানৰ প্রেমত পৰি তাই অন্ধ হৈ পৰিল। অম্লানৰ লগত পৰিচয় হৈছিল এখন ৱেষ্টুৰেণ্টত। প্রথম দৃষ্টিতে সুদর্শন ডেকা অম্লানক দেখি ভাল লাগি গ'ল তাইৰ। অম্লানে সৰু-সুৰা কিবাকিবি ব্যৱসায় কৰে বুলি নিজৰ পৰিচয় দিছিল। দুয়োৰে মাজত কথা হৈছিল। ম'বাইল ফোনৰ নম্বৰ আদান-প্রদান হৈছিল। সেই সময়ত জীয়ামণিৰ লগত থকা তাইৰ বান্ধৱী জোনালীয়ে অচিনাকি ল'ৰা এজনৰ সৈতে ইমান ঘনিষ্ঠ নহ'বলৈ তাইক ইংগিত দিছিল। তাই জোনালীৰ কথা ভ্রূক্ষেপ নকৰিলে।

জোনালীয়ে জীয়ামণিক কেইবাদিনো বুজাইছে। অম্লানৰ সৈতে ইমান গভীৰ সম্পর্ক নাৰাখিবলৈ বহুত বুজাইছে। জীয়ামণি নাচোৱবান্দা তাই অম্লানক নেৰে।

জোনালীয়ে তাইক কৈছিল, 'মই তোৰ দৰে সময় নষ্ট কৰিব নোৱাৰো। গাঁৱৰ পৰা কষ্টৰে ওলাই আহিছো। দেউতাই খেতি কৰি অশেষ কষ্টৰে মোক পঢ়ুৱাইছে। মোক লৈ মাক-দেউতাৰ বহুত সপোন আছে। মই তেওঁলোৰক সপোন পূৰণ কৰিম।'

এস, এইজনী, কাম নাই তোৰ দৰে ছোৱালীৰ। একেবাৰে বেকৱার্ড।

জোনালী জীয়ামণিৰ ঘৰলৈ কেইবাবাৰো গৈছে। জীয়ামণিৰ মাক-দেউতাকে জোনালীৰ শান্ত, নম্র ব্যৱহাৰৰ বাবে বহুত ভাল পায়।

ম'বাইলটো বাজি উঠিল। জীয়ামণিয়ে চিন্তাবোৰ আঁতৰাই ম'বাইলটো হাতত তুলি ল'লে। অম্লানৰ ফোন। তাই ফোনটো কাটি দিলে। মনতে তাই ভাবিলে অম্লানক তাই জানো পাহৰিব পাৰিব। বহুত দূৰ আগু�ৰাই গ'ল তাই। তাই এৰিব নোৱাৰে তাক। ভৱিষ্যতে অম্লানক কিবা ব্যৱসায় কৰিব ক'ব।

আকৌ ম'বাইলটো বাজি উঠিল। অম্লানৰ ফোন। তাই ফোনটো ৰিচিভ কৰিলে।

এসোপা অভিমানভৰা কথাৰে অম্লানে তাইৰ হৃদয়খন গলাই তুলিলে। তাইৰ দুচকু চকুপানীৰে উপচি পৰিল। কথা পতা শেষ কৰি কিছুসময় ভাবনাত মগ্ন হ'ল তাই।

কি কৰিব তাই, অম্লানৰ কথামতে যাব নে আজি নিশা একেলগে কটাব বহু ভাবি-গুণী তাই যোৱাটোকে ঠিক কৰিলে।

জীয়ামণিয়ে আগেয়ে কোৱাৰ দৰে মাক-দেউতাকক জোনালীৰ তাত হোষ্টেলত নিশা থকাকৈ যাম বুলি ক'লে।

মাকে তাইলৈ চাই ক'লে, 'তোৰ গা বেয়া বোলে। আজি যাবি জানো।' 'এতিয়া ভাল পাইছো মা।'

জোনালীৰ তালৈ যাব খুজিলে মাক-দেউতাকে বাধা দিয়া নাছিল। কাৰণ জোনালীৰ প্রতি মাক-দেউতাকৰ ভাল ভাব এটা আছিল। জীয়ামণিয়ে তাৰে সুযোগ লৈছিল। আগতেও জোনালীৰ তালৈ যোৱা বুলি অম্লানৰ সৈতে প্রায়ে হোটেলত নিশা কটাইছিল। অম্লানৰ আচল পৰিচয় পোৱাৰ পিছতো তাৰ সৈতে সম্পর্ক নেৰিবলৈ সিদ্ধান্ত ল'লে জীয়ামণিয়ে। সেইদিনাও মাক-দেউতাকক ফাঁকি দি ওলাই আহিছিল। কিন্তু সেইদিনা অম্লানৰ কু-অভিসন্ধিৰ বলি হৈ পৰিল তাই। তাই ভবা নাছিল, এনে হ'ব বুলি। হোটেলৰ কোঠাত অম্লানৰ লগতে তাৰ বন্ধু দুজনৰ পাশৰিকতাৰ বলি হৈ পৰিল তাই। অম্লান ইমান নিষ্ঠুৰ, বর্বৰ হ'ব পাৰে বুলি তাইৰ সপোনৰ অগোচৰ আছিল। পশুকেইটাই তাইৰ মুখত কাপোৰেৰে সোপা দিলে। তাই চিঞৰিবলৈ সমর্থ নহ'ল। যন্ত্রণাত তাই ছটফটাই উঠিল। গোটেই শৰীৰ ক্ষত-বিক্ষত হ'ল তাইৰ। অনুশোচনাই তাইক দগ্ধ কৰিলে। হঠাতে বিছনাৰ পৰা বাগৰি পৰিল তাই।

লগে লগে ধাৰাসাৰে প্রচণ্ড গোৰ বুকুত পৰিল। তাই চৌদিশে ধুঁৱলী-কুঁৱলী দেখিলে। তাইৰ ভুলৰ পৰিণাম মর্মে মর্মে উপলব্ধি কৰিলে। কিন্তু বহুত পলম হৈ গ'ল। তাইৰ উশাহটো চুটি হৈ আহিল। ক্রমশঃ চকুহাল মুদ খাই আহিল...। ■

প্রথম পৃষ্ঠাৰ পৰা ঃ — শৰতৰ স্নিগ্ধ বুকুত শক্তিৰ বন্দনা

বৈদিক সাহিত্যৰ 'দেৱী সূক্ত'ৰ পৰা আৰম্ভ কৰি মার্কণ্ডেয় পু�ৰাণৰ 'দেৱী মাহাত্ম্য'লৈকে শক্তিৰ যি বিশ্বজনীন ৰূপ ব্যাখ্যা কৰা হৈছে, তাৰ অন্তৰালত আছে সৃষ্টি, স্থিতি আৰু সংহাৰৰ চিৰন্তন চক্র। পু�ৰাণৰ আখ্যান অনুসৰি, ত্রেতা যুগত শ্রীৰামচন্দ্রই লংকাজয়ৰ উদ্দেশ্যে অকালতে শৰতকালত দেৱী দুর্গাৰ বোধন কৰিছিল, যাৰ ফলত বসন্তকালৰ বাসন্তী পূজাৰ সমান্তৰালভাৱে শাৰদীয় দুর্গা পূজাই এক বহুল প্রসাৰিত আৰু জনপ্রিয় সামাজিক ৰূপ লাভ কৰে। কিন্তু কেৱল শাস্ত্রীয় শ্লোক আৰু পু�ৰাণৰ কাহিনীতেই দুর্গা পূজাৰ তাৎপর্য আবদ্ধ হৈ থকা নাই। সমাজতাত্ত্বিকভাৱে দুর্গা কেৱল এগৰাকী অসুৰনাশিনী বা সর্বশক্তিমান দেৱীয়েই নহয়, তেওঁ হৈছে গৃহৰ জীয়ৰী, যি বছৰেকৰ মূৰত সন্তান- সন্ততিসহ মাকৰ ঘৰলৈ পিতৃগৃহৰ সান্নিধ্য লাভ কৰিবলৈ আহে। মহিষাসুৰমর্দিনীৰ এই সংহাৰী ৰূপৰ মাজত লুকাই থকা মাতৃৰূপ আৰু জীয়ৰীৰ এই আৱেগিক মাত্রাটোৱেই দুর্গা পূজাক সাধাৰণ মানুহৰ হৃদস্পন্দনলৈ ৰূপান্তৰিত কৰিছে। শৰতৰ নৈসর্গিক উপাদানসমূহ যেন দুর্গা পূজাৰ আগমনী বার্তাবাহক। নদীৰ পাৰত ফুলা কঁহুৱা ফুলৰ শুভ্রতাই মানুহৰ মনৰ পৰা বাৰিষাৰ গধুৰতা মচি পেলায়। ৰাতিপুৱাৰ দূৰবি বনত তিৰবিৰাই থকা নিয়ৰৰ কণিকা আৰু বতাহত ওপঙি অহা নিয়ৰসিক্ত শেৱালিৰ সুগন্ধিয়ে সমাজখনক জনাই দিয়ে যে দেৱীৰ আগমন ঘটিছে। গাঁৱৰ পৰা চহৰলৈকে এই সময়ছোৱাত প্রকৃতিয়ে যেন এক শান্ত, ধীৰ আৰু পৰিত্র ৰূপ ধাৰণ কৰে। শৰতৰ এই প্রাকৃতিক পৰিৱর্তনৰ সৈতে মানুহৰ মানসিক প্রস্তুতিও সমান্তৰালভাৱে আগবাঢ়ে। কমাৰশালত খড়গ আৰু অস্ত্র-শস্ত্র নির্মাণৰ শব্দ, মৃৎশিল্পীৰ গৃহত মাটি আৰু খেড়েৰে দেৱীৰ মূর্তি গঢ়াৰ নিৰলস সাধনা আৰু বাঁহ-কাপোৰৰ অস্থায়ী মণ্ডপ নির্মাণৰ ব্যস্ততাই সামাজিক পৰিৱেশটোত এক অনন্য স্পন্দনৰ সৃষ্টি কৰে। শিল্পীৰ তুলিকাৰ প্রতিটো টানে দেৱীক কেৱল আকৃতিয়েই নিদিয়ে, সমাজৰ আশা, আকাংক্ষা আৰু সৌন্দর্যবোধকো প্রতিফলিত কৰে। পূজাৰ আনন্দৰ প্রধান বৈশিষ্ট্য হৈছে ইয়াৰ সর্বজনীনতা আৰু অন্তর্ভুক্তিমূলক স্বভাৱ। পূজা কেৱল এটা নির্দিষ্ট ধর্মীয় আচাৰ-অনুষ্ঠানৰ মাজতে আৱদ্ধ হৈ নাথাকে, ই এখন বহল সমাজক একত্রিত কৰে। পুৰোহিতৰ বৈদিক মন্ত্রোচ্চাৰণ, ধূপ-ধূনাৰ আমোলমোল সুবাস, কাঁহ আৰু ঘণ্টাৰ সুৰৰ সৈতে ঢাকৰ ছন্দময় ধ্বনিয়ে এক গভীৰ আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰে যদিও, ইয়াৰ বাহিৰত চলা সামাজিক আদান-প্রদানহে এই উৎসৱৰ প্রাণ। পুৰণি বিভেদ, দৈনন্দিন সংগ্রাম আদি পাহৰি সকলো শ্রেণীৰ মানুহ একেখন মজিয়ালৈ নামি আহে। নৱবস্ত্র পৰিধান কৰি ওলাই অহা শিশুসকলৰ হাঁহি, যুৱপ্রজন্মৰ অপাৰ উৎসাহ আৰু বয়োজ্যেষ্ঠসকলৰ আন্তৰিক মিলনৰ দৃশ্যই সমাজত এক অভূতপূর্ব সৌহাদ্যৰ বার্তা বিলাই দিয়ে। বজাৰ-সমাৰ, পোহাৰীৰ আনন্দ আৰু মণ্ডপে মণ্ডপে হোৱা মানুহৰ সমাৱেশে সামাজিক বান্ধোনক অধিক কটকটীয়া কৰি তোলে। অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ পটভূমিত দুর্গা পূজাৰ ইতিহাস অতি সমৃদ্ধ আৰু বৈশিষ্ট্যপূর্ণ। আহোম স্বর্গদেউসকলৰ পৃষ্ঠপোষকতাত শিৱসাগৰৰ দেৱীদ'লত বৈদিক আৰু শক্তিপীঠৰ তান্ত্রিক পৰম্পৰাৰ যি সমাহাৰ ঘটিছিল, সেয়া আজিও অসমৰ ঐতিহ্যৰ অংশ হৈ আছে। কোচ ৰজাসকলৰ সময়তো দেৱী পূজাৰ বহুল প্রচলন আছিল। এই ঐতিহাসিক পটভূমিত আধুনিক অসমৰ দুর্গা পূজাই এক সমন্বয়ৰ ৰূপ ধাৰণ কৰিছে। বিভিন্ন জনগোষ্ঠী আৰু সম্প্রদায়ৰ মাজত এই উৎসৱে কঢ়িয়াই আনে এক উমৈহতীয়া আনন্দৰ বতৰা। গাঁৱৰ নামঘৰৰ ভাওনাৰ পৰিৱেশ আৰু চহৰৰ পূজা মণ্ডপৰ সাংস্কৃতিক কার্যসূচীৰ মাজত এক স্বাভাৱিক সামঞ্জস্য গঢ় লৈ উঠে, যিয়ে অসমীয়া সমাজৰ সমন্বয়কামী চৰিত্রটোক পুনৰ প্রতিষ্ঠা কৰে। অর্থনৈতিক আৰু বাণিজ্যিক দিশৰ পৰাও দুর্গা পূজাৰ ভূমিকা অনস্বীকার্য। শৰতৰ এই সময়ছোৱাত অর্থনীতি এক গতিশীল ৰূপত প্রৱেশ কৰে। সাধাৰণ মৃৎশিল্পী, বাঁহ-বেতৰ শিল্পী, পোহৰ সজ্জাকাৰী, ফল-মূলৰ ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি বস্ত্র ব্যৱসায়ী আৰু আধুনিক কর্প'ৰেট প্রতিষ্ঠানলৈকে, সকলোৱে বাবে এই উৎসৱ জীৱন আৰু জীৱিকাৰ এক মহৎ অৱলম্বন হৈ পৰে। কোটি কোটি টকাৰ লেনদেনে কেৱল ব্যৱসায়িক লাভেই নিদিয়ে, বহুতো নিম্নবিত্ত আৰু মধ্যবিত্ত পৰিয়ালৰ বছৰজোৰা আর্থিক নিৰাপত্তাৰ বুনিয়াদ গঢ়ি তোলে। পূজাৰ বজাৰে সাধাৰণ বনুৱাৰ পৰা আৰম্ভ কৰি সৃজনশীল ডিজাইনাৰলৈকে সকলোকে নিজৰ শ্রম আৰু মেধাৰ বিনিময়ত উপার্জনৰ সুযোগ দিয়ে।

সাহিত্য আৰু শিল্প-সংস্কৃতিৰ জগতখনতো শৰত আৰু দুর্গা পূজাৰ স্থান চিৰন্তন। পূজাৰ সময়ত প্রকাশ পোৱা 'শাৰদীয় সংখ্যা' বা বিশেষ সাহিত্য সংকলনসমূহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ ক্ষেত্রত এক ঐতিহাসিক ভূমিকা পালন কৰি আহিছে। এই সাহিত্যিক পৰম্পৰাই উৎসৱটোক কেৱল চকুজুৰোৱা বাহ্যিক আনন্দতে সীমাৱদ্ধ নাৰাখি বৌদ্ধিক আৰু নান্দনিক চেতনাৰ গভীৰতালৈ লৈ যায়। অৱশ্যে সময়ৰ পৰিৱর্তনৰ লগে লগে আধুনিক দুর্গোৎসৱৰ চৰিত্রতো কিছুমান তাৎপর্যপূর্ণ পৰিৱর্তন ঘটিছে, যিয়ে সমাজতাত্ত্বিক আৰু পৰিৱেশগত বিশ্লেষণৰ দাবী কৰে। আধুনিকতাৰ দ্রুত প্রভাৱত পূজাৰ আধ্যাত্মিক আৰু সামাজিক ভাৱধাৰাৰ ঠাইত প্রতিযোগিতা আৰু বাহ্যিক আড়ম্বৰতাই কেতিয়াবা অধিক প্রাধান্য পোৱা দেখা যায়। অতিমাত্রা আলোকসজ্জা, মণ্ডপৰ থিমৰ প্রতিযোগিতা আৰু প্লাষ্টিকৰ অবাধ ব্যৱহাৰে পৰিৱেশৰ ওপৰত বিৰূপ প্রভাৱ পেলাইছে। বিশেষকৈ দেৱী প্রতিমাত ব্যৱহৃত ৰাসায়নিক ৰং আৰু অপাচনশীল সামগ্রীসমূহে নদীৰ জলপ্রদূষণ বৃদ্ধিত অৰিহণা যোগাইছে, যিটো শৰতৰ স্নিগ্ধ আৰু নির্মল প্রকৃতিৰ বিপৰীতমুখী এক দৃশ্য। লগতে, শব্দ প্রদূষণ আৰু যান-জঁটৰ সমস্যাই উৎসৱৰ প্রকৃত আনন্দক কেতিয়াবা ম্লান কৰি পেলায়। উৎসৱৰ উদ্দেশ্য কেতিয়াও প্রকৃতি বা মানৱ স্বাস্থ্যৰ ক্ষতিসাধন হ'ব নোৱাৰে; সেয়েহে পৰিৱেশ-অনুকূল পূজা আৰু সামাজিক দায়বদ্ধতাৰ প্রশ্নটো আজিৰ দিনত বিশেষভাৱে প্রাসংগিক হৈ পৰিছে।

আধ্যাত্মিক আৰু দার্শনিক দৃষ্টিকোণৰ পৰা মহিষাসুৰ বধৰ কাহিনীটো কেৱল এখন পৌৰাণিক যুদ্ধৰ চিত্রণ নহয়; ই মানুহৰ অন্তর্নিহিত আসুৰিক প্রবৃত্তি-কাম, ক্রোধ, লোভ, মোহ, মদ আদিক দমন কৰি দৈৱিক বা পৰিত্র গুণসমূহক জাগ্রত কৰাৰ এক অহৰহ সংগ্রাম। দেৱীৰ দশভুজাই সমাজৰ সকলো দিশৰ পৰা অন্যায়, অবিচাৰ আৰু অন্ধকাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ সামূহিক শক্তিক সূচায়। আজিৰ বৈষম্য, হিংসা আৰু মানসিক অস্থিৰতাৰে জর্জৰিত পৃথিৱীত মহিষাসুৰমর্দিনীৰ এই প্রতীকী তাৎপর্য অত্যন্ত গভীৰ। বিজয়া দশমীৰ দিনা দেৱীৰ বিসর্জনে আনন্দৰ মাজতো এক গভীৰ বিৰহৰ সুৰ তুলি দিয়ে। মাতৃৰ স্বগৃহলৈ প্রত্যাৱর্তন আৰু কন্যাক বিদায় দিয়াৰ যি বেদনা, সিয়েই মানুহৰ মনত এক অপূর্ব শূন্যতাৰ সৃষ্টি কৰে। কিন্তু সেই বিসর্জনৰ বেদনাৰ মাজতেই প্রতিধ্বনিত হয় পুনৰাগমনৰ প্রত্যাশা। বিজয়াৰ শুভেচ্ছা বিনিময়, কনিষ্ঠৰ দ্বাৰা জ্যেষ্ঠসকলৰ চৰণ স্পর্শ কৰি আশীর্বাদ লোৱা আৰু সমাজৰ সকলোৰে মাজত মিঠাই বিতৰণ কৰা পৰম্পৰাটোৱে সামাজিক একতা আৰু আত্মীয়তাৰ বান্ধোনক আৰু অধিক সুদৃঢ় কৰে। শৰতৰ মেঘমুক্ত আকাশৰ তলত দেৱীৰ এই বিদায়ে মানুহক সোঁৱৰাই দি যায় যে সৃষ্টিৰ নিয়মেই হৈছে আগমন আৰু প্রস্থানৰ এক অবিৰত ধাৰা। শৰতৰ নির্মল প্রকৃতি আৰু দুর্গা পূজাৰ আনন্দ সমাজৰ সামূহিক চেতনাৰ এক অনন্য নিদর্শন। প্রকৃতিৰ শান্ত সৌন্দর্যই মানুহৰ মনৰ মলিনতা ধুই নিকা কৰে আৰু দুর্গোৎসৱৰ উদ্‌যাপনে মানৱীয় সম্পর্কবোৰক নতুন জীৱন দান কৰে। আধুনিক সমাজত বাহ্যিক জাকজমকতাৰ ঊর্ধ্বত উঠি যদি আমি এই উৎসৱৰ মূল দর্শন-অসত্যৰ বিৰুদ্ধে সত্যৰ জয়, প্রকৃতিৰ প্রতি শ্রদ্ধা আৰু মানৱপ্রেমক অক্ষুণ্ণ ৰাখিব পাৰো, তেন্তে শৰতৰ এই আনন্দ কেৱল কেইটামান দিনৰ উৎসৱ হৈ নাথাকি সমাজ জীৱনৰ এক স্থায়ী পোহৰ আৰু শান্তিৰ উৎস হৈ ৰ'ব। ■

‘জয় মা দুর্গা’ গীত উন্মোচন



গুৱাহাটী ঃ শাৰদীয় দুর্গোৎসৱ আৰু নৱৰাত্রিৰ পবিত্র পৰিৱেশত মা দুর্গাৰ চৰণত ভক্তিৰ অর্ঘ্য নিবেদন কৰি যোৱা দেওবাৰে উন্মোচন কৰা হয় এটি নতুন ভক্তিমূলক গীত ‘জয় মা দুর্গা’। আৱোহণ ফাউণ্ডেশ্যনৰ মুখ্য পৰিচালন সঞ্চালিকা তথা গীতিকাৰ ড° সীমা কাশ্যপৰ মহানগৰীৰ অম্বিকাগিৰি নগৰৰ নিগাজীপামস্থিত বাসগৃহত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত গীতটিৰ উন্মোচন কৰা হয়। গীতটিৰ কথা ড° সীমা কাশ্যপৰ। গীতটিৰ জৰিয়তে মা দুর্গাৰ বন্দনাৰে ভক্তি, বিশ্বাস, শান্তি আৰু আনন্দৰ বাণী জনসাধাৰণৰ মাজলৈ আগবঢ়াই নিয়াৰ প্রয়াস কৰা হৈছে। শাৰদীয় উৎসৱৰ এই শুভক্ষণত গীতটিয়ে শ্রোতাসকলৰ হৃদয়ত আধ্যাত্মিক অনুভূতি জগাই তোলাৰ লগতে সকলোৰে জীৱনলৈ সুখ, শান্তি, সমৃদ্ধি আৰু মংগল কঢ়িয়াই আনিবলৈ অনুপ্রেৰণা যোগাব বুলি আশা প্রকাশ কৰিছে গীতটোৰ সৈতে জড়িতসকলে। গীতটিত কণ্ঠদান কৰিছে জনপ্রিয় কণ্ঠশিল্পী প্রাণদ্বীপ দাসে। ড° সীমা কাশ্যপ আৰু ৰূপম কলিতাই গীতটিৰ সুৰাৰোপ কৰাৰ বিপৰীতে সংগীত পৰিচালনা আৰু মিক্সিঙৰ দায়িত্ব পালন কৰিছে সৌৰভ কুমাৰ দাসে। গীতটিৰ ভিডিঅ’ সংস্কৰণৰ পৰিচালনা কৰিছে চাজু আহমেদে। গীতটিৰ প্রযোজনা Arohan Entertainmentsৰ। লগতে প্রযোজনা নিয়ন্ত্রক তথা প্রডাক্সন মেনেজাৰ সম্রাট দুৱৰা। ভিডিঅ’টিত অভিনয় কৰিছে বিশাল কাশ্যপ, ৰঞ্জনা তালুকদাৰ, শর্মিলা, সায়ন্তনী দাসকে ধৰি ভালেকেইগৰাকী শিল্পী। গীতটিৰ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে আমাৰ অসম কাকতৰ উপ-সম্পাদক মন্টু শইকীয়া, বিশিষ্ট সমাজসেৱক চন্দন শইকীয়া, গীতটিৰ ভিডিঅ’ সংস্কৰণৰ পৰিচালক চাজু আহমেদকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। উপস্থিত বিশিষ্ট ব্যক্তিসকলে গীতটিৰ সৃষ্টিশীল দিশ, ভক্তিমূলক সংগীতৰ গুৰুত্ব আৰু অসমৰ সাংস্কৃতিক পৰিৱেশত এনে সৃষ্টিৰ প্রাসংগিকতা সন্দর্ভত নিজৰ মতামত প্রকাশ কৰে। উল্লেখযোগ্য যে, ‘জয় মা দুর্গা’ গীতটি ‘DrSeemaKashyapOfficial’ আৰু Arohan Entertainsments নামৰ ইউটিউৰ চেনেলত উপলব্ধ হ’ব।

প্রথম পৃষ্ঠাৰ পৰা ঃ —

আন্তঃৰাষ্ট্রীয় দুর্যোগজনিত বিপদ-হ্রাস দিৱস আৰু অসমৰ

স্থিতি স্থাপকতা বৃদ্ধিকো সমানেই গুৰুত্ব দিয়ে। এই দুর্যোগৰ বিপদ হ্রাস কৰাৰ আন্তঃৰাষ্ট্রীয় প্রচেষ্টাৰ এক দীঘলীয়া ইতিহাস আছে। ১৯৮৯ চনৰ পৰাই ৰাষ্ট্রসংঘৰ নেতৃত্বত দুর্যোগত ক্ষয়ক্ষতি হ্রাসৰ ক্ষেত্রত আন্তঃৰাষ্ট্রীয় সজাগতা বৃদ্ধি কৰিবলৈ আৰম্ভ কৰে। ২০১৫ চনৰ ১৮ মার্চত জাপানত ‘দুর্যোগৰ বিপদাশংকা হ্রাসৰ ছেণ্ডাই কাঠামো, ২০১৫-২০৩০ বা Sendai Framework for Disaster Risk Reduction 2015–2030 গ্রহণ কৰে। এই পৰিকাঠামোৱে বিশ্বজুৰি দুর্যোগৰ বিপদ হ্রাসৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ সম্ভাৱনা আগবঢ়ায়। ছেণ্ডাই কাঠামোৰ মূল লক্ষ্য হৈছে দুর্যোগৰ ফলত হোৱা মৃত্যু, ক্ষতিগ্রস্ত লোকৰ সংখ্যা, অর্থনৈতিক ক্ষতি আৰু গুৰুত্বপূর্ণ আন্তঃগাঁথনিৰ ক্ষয়ক্ষতি হ্রাস কৰা। এই কাঠামোৱে ৰাষ্ট্র, স্থানীয় প্রশাসন, বিজ্ঞানী, শিক্ষানুষ্ঠান, বেচৰকাৰী সংগঠন আৰু সাধাৰণ নাগৰিক আদি সকলোকে দুর্যোগৰ বিপদ হ্রাসৰ অংশীদাৰ হিচাপে গণ্য কৰে। আজি বিশ্বত জলবায়ু পৰিৱর্তনৰ ফলত অতিপাত বৰষুণ, বান, ঘূর্ণিবতাহ, খৰাং, উষ্ণতা বৃদ্ধি আৰু ভূমিস্খলনৰ দৰে ঘটনাৰ তীব্রতা আৰু অনিশ্চয়তা বৃদ্ধি পাইছে। সেয়েহে দুর্যোগ প্রতিৰোধক আন্তঃগাঁথনি আৰু আগতীয়া সতর্কতা ব্যৱস্থা এতিয়া উন্নয়নৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। ভৌগোলিক অৱস্থান আৰু প্রাকৃতিক পৰিৱেশৰ বাবে অসম ভাৰতৰ অন্যতম দুর্যোগ-প্রৱণ ৰাজ্য। ব্রহ্মপুত্র আৰু ইয়াৰ অসংখ্য উপনদী, বৰাক উপত্যকাৰ নদ-নদী, পাহাৰীয়া অঞ্চল আৰু ভূমিকম্প প্রৱণ অঞ্চল আদিয়ে অসমক বিভিন্ন প্রাকৃতিক বিপদৰ সন্মুখীন কৰে। অসমৰ আটাইতকৈ পৰিচিত দুর্যোগেই হৈছে বানপানী। প্রতি বছৰে ব্রহ্মপুত্র আৰু ইয়াৰ উপনদীসমূহৰ জলপৃষ্ঠ বৃদ্ধি পো�ৱাৰ ফলত বিস্তীর্ণ অঞ্চল প্লাৱিত হয়। বানপানীয়ে কেৱল মানুহৰ ঘৰ-দুৱাৰেই নষ্ট নকৰে লগতে কৃষিভূমি, পথ, দলং, বিদ্যালয়, স্বাস্থ্যকেন্দ্র, পশুধন আৰু যোগাযোগ ব্যৱস্থাতো ব্যাপক ক্ষতি কৰে। কিন্তু অসমৰ বান সমস্যাক কেৱল অধিক বৰষুণৰ ফল বুলি ব্যাখ্যা কৰিলে সমস্যাটোৰ গভীৰতা বুজা নাযায়। খহনীয়াও অসমৰ এক ভয়ংকৰ প্রাকৃতিক সমস্যা। নদীৰ গতিপথ সলনি, নদীৰ গঢ়াখহনীয়া হোৱা আৰু ভূমি ক্ষয়ৰ ফলত বহু পৰিয়ালে বছৰৰ পিছত বছৰ নিজৰ বাসস্থান আৰু কৃষিভূমি হেৰুৱাবলগীয়া হয়। খহনীয়াই মানুহক কেৱল অর্থনৈতিকভাৱেই ক্ষতিগ্রস্ত নকৰে, ই সামাজিক আৰু মানসিক অনিশ্চয়তাও সৃষ্টি কৰে।

অসমৰ বানপানী এক জটিল প্রাকৃতিক সামাজিক সমস্যা। বৰষুণ, নদীৰ জলপ্রবাহ, পাহাৰীয়া অঞ্চলৰ পৰা অহা পানী, পলস, নদীৰ গতিপথৰ পৰিৱর্তন আৰু জলবায়ু পৰিৱর্তন আদিবোৰৰ সৈতে মানুহৰ ভূমি ব্যৱহাৰ আৰু উন্নয়নমূলক কার্যকলাপো জড়িত। বান নিয়ন্ত্রণৰ নামত কেৱল মথাউৰি নির্মাণ কৰিলেই সমস্যাৰ স্থায়ী সমাধান নহয়। মথাউৰি কেতিয়াবা প্রয়োজন আছে, কিন্তু তাৰ লগতে নদীৰ স্বাভাৰিক প্রবাহ, জলাভূমি সংৰক্ষণ, বানপানী সহনশীল কৃষি, বিজ্ঞানভিত্তিক ভূমি ব্যৱহাৰ আৰু স্থানীয় পর্যায়ৰ দুর্যোগ পৰিকল্পনাৰ প্রয়োজন আছে। বানপীড়িত অঞ্চলত আগতীয়া সতর্কতা ব্যৱস্থা অধিক শক্তিশালী কৰি ম’বাইল ফোন, ছ’চিয়েল মিডিয়া, স্থানীয় ঘোষণা, ৰেডিঅ’ আৰু অন্যান্য যোগাযোগ ব্যৱস্থাৰ জৰিয়তে মানুহক সময়মতে সতর্ক কৰিব পাৰিলে বহু জীৱন আৰু সম্পত্তি ৰক্ষা কৰিব পৰা যায়। অসম আৰু উত্তৰ পূর্বাঞ্চল ভূমিকম্পৰ দিশৰ পৰা অতি সংবেদনশীল অঞ্চল। অতীতত এই অঞ্চলত সংঘটিত শক্তিশালী ভূমিকম্পসমূহে ভূমিকম্পৰ বিপদৰ বিষয়ে আমি জানো যে ভূমিকম্পক ৰোধ কৰিব নোৱাৰি। কিন্তু ভূমিকম্পৰ ফলত হোৱা ক্ষয়ক্ষতি বহু পৰিমাণে হ্রাস কৰিব পাৰি। ইয়াৰ বাবে আটাইতকৈ গুৰুত্বপূর্ণ হৈছে ভূমিকম্প-সহনশীল নির্মাণশৈলী। নতুন ঘৰ নির্মাণৰ সময়ত নির্ধাৰিত নির্মাণৰ বিধি পালন কৰা, পুৰণি আৰু দুর্বল অট্টালিকা পৰীক্ষা কৰা, বিদ্যালয়, চিকিৎসালয়, পুৰণি প্রশাসনিক কার্যালয় আদিৰ দৰে গুৰুত্বপূর্ণ প্রতিষ্ঠানৰ সুৰক্ষা নিশ্চিত কৰা আৰু জনসাধাৰণক ভূমিকম্পৰ সময়ত কি কৰিব লাগে সেই বিষয়ে প্রশিক্ষণ দিয়া অতি প্রয়োজনীয়। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত নিয়মীয়াকৈ ভূমিকম্প আৰু অগ্নিকাণ্ডৰ মকড্রিল অনুষ্ঠিত কৰিব পাৰি। ছাত্র-ছাত্রী, শিক্ষক আৰু কর্মচাৰীসকলক নিৰাপদে বাহিৰলৈ ওলাই অহাৰ পথ, জৰুৰীকালীন সমাৱেশস্থল আৰু প্রাথমিক চিকিৎসাৰ বিষয়ে ব্যৱহাৰিক প্রশিক্ষণ দিয়া উচিত। অসমৰ ডিমা হাছাও, কার্বি আংলং আদি পাহাৰীয়া অঞ্চলত বৰষুণৰ সময়ত ভূমিস্খলন এক গুৰুতৰ বিপদ হৈ পৰে। পাহাৰ কাটি অনিয়ন্ত্রিত নির্মাণ, বনাঞ্চল ধ্বংস আৰু অত্যধিক বৰষুণে এই বিপদ বৃদ্ধি কৰিব পাৰে। পাহাৰীয়া অঞ্চলত পথ নির্মাণ আৰু অন্যান্য উন্নয়নমূলক কাম বন্ধ কৰাৰ প্রয়োজন নাই। কিন্তু সেইবোৰ ভূ-প্রকৃতি আৰু পৰিৱেশৰ বৈজ্ঞানিক মূল্যায়নৰ ভিত্তিত কৰা উচিত। ভূমিস্খলন প্রৱণ অঞ্চল চিনাক্ত কৰি আগতীয়া সতর্কতা, নিষ্কাশন ব্যৱস্থা, গছ-গছনি বৃদ্ধি আৰু নিৰাপদ বসতি পৰিকল্পনা গ্রহণ কৰিলে বহু বিপদৰ পৰা ৰক্ষা পাব পাৰি। বর্তমান জলবায়ু পৰিৱর্তনে দুর্যোগৰ চৰিত্র সলনি কৰিছে। অতিবৃষ্টি, অস্বাভাৰিক বৰষুণ, দীর্ঘদিনীয়া উষ্ণতা, আকস্মিক বান আৰু ভূমিস্খলনৰ দৰে ঘটনা এতিয়া অধিক গুৰুত্ব সহকাৰে অধ্যয়ন কৰা উচিত। অসমৰ কৃষি অর্থনীতি বিশেষভাৱে জলবায়ু সংবেদনশীল। সেয়েহে কৃষকসকলক বতৰভিত্তিক কৃষিৰ পৰামর্শ, বান-সহনশীল শস্য, বীজ সংৰক্ষণ, বিকল্প জীৱিকা আৰু কৃষি-বীমাৰ সুবিধাৰ সৈতে সংযোগ কৰা অতি প্রয়োজন। প্রাকৃতিক দুর্যোগৰ সময়ত চৰকাৰী সংস্থাসমূহ অতি গুৰুত্বপূর্ণ হৈ পৰে। কিন্তু চৰকাৰে অকলে সকলো কৰিব নোৱাৰে। স্থানীয় ৰাইজ, স্বেচ্ছাসেৱী সংগঠন, যুৱসমাজ, এন এছ এছ, এন চি চি, বিদ্যালয় মহাবিদ্যালয়, গাঁও পঞ্চায়ত আৰু স্থানীয় স্বাস্থ্যকর্মীসকলক দুর্যোগ প্রস্তুতিৰ অংশীদাৰ কৰিব লাগিব। প্রতিখন গাঁও বা নগৰ অঞ্চলত স্থানীয় বিপদৰ এখন দুর্যোগ মানচিত্র প্রস্তুত কৰি কোন অঞ্চল বানপ্রৱণ, কোন পথ সুৰক্ষিত, কক্সত আশ্রয়কেন্দ্র আছে, কক্সত খোৱা পানী পোৱা যাব আৰু জৰুৰীকালীন সময়ত কাৰ সৈতে যোগাযোগ কৰিব লাগে। এনে তথ্য আগতীয়াকৈ প্রস্তুত থাকিলে বিপদৰ সময়ত সিদ্ধান্ত গ্রহণ সহজ কৰাত হয়। দুর্যোগৰ পিছত সাহায্য আগবঢ়োৱা মানৰীয় দায়িত্ব। কিন্তু কেৱল সাহায্য বিতৰণেই দুর্যোগ ব্যৱস্থাপনা নহয়। বানৰ পিছত চাউল, কাপোৰ আৰু ঔষধ দিয়াৰ লগতে পৰৱর্তী বানত ক্ষতি কেনেকৈ কমাব পাৰি সেই প্রশ্নটোও সুধিব লাগিব। অর্থাৎ আমাৰ দৃষ্টিভংগী হক্সব লাগিব দুর্যোগৰ প্রতি সঁহাৰি আৰু বিপদাশংকা হ্রাসকৰণ। মানুহৰ দুর্যোগ আহিলে উদ্ধাৰ কৰাটো প্রয়োজনীয়, কিন্তু দুর্যোগ অহাৰ আগতেই বিপদৰ উৎস চিনাক্ত কৰি ক্ষয়ক্ষতি কমোৱাটো অধিক বুদ্ধিমানী আৰু দীর্ঘম্যাদী পন্থা। আন্তঃৰাষ্ট্রীয় দুর্যোগজনিত বিপদ-হ্রাস দিৱস কেৱল সভা, শোভাযাত্রা বা বক্তৃতাৰ মাজতে সীমাবদ্ধ থাকিব নালাগে। এই দিনটোত বিদ্যালয়ত মকড্রিল, গাঁৱত সজাগতা সভা, নদীপাৰৰ অঞ্চলত আগতীয়া সতর্কতা অনুশীলন, ভূমিকম্প সহনশীল নির্মাণৰ বিষয়ে প্রশিক্ষণ আৰু স্থানীয় দুর্যোগ পৰিকল্পনা প্রস্তুতৰ দৰে কার্যসূচী গ্রহণ কৰিব পাৰি। অসমৰ ক্ষেত্রত ৰ অক্টোবৰ এটা বিশেষ সোঁৱৰণি দিৱস হিচাপে পালন কৰি আমি বানপানী ৰোধ কৰিব নোৱাৰো, কিন্তু বানৰ ক্ষতি কমাব পাৰো। ভূমিকম্প বন্ধ কৰিব নোৱাৰো কিন্তু ভূমিকম্প সহনশীল ঘৰ নির্মাণ কৰিব পাৰোঁ। ভূমিস্খলন সম্পূর্ণৰূপে ৰোধ কৰিব নোৱাৰো কিন্তু বিপদপ্রৱণ অঞ্চল চিনাক্ত কৰি আগতীয়াকৈ মানুহক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰিব পাৰো।

দুর্যোগ প্রকৃতিৰ এক বাস্তৱ সত্য। কিন্তু দুর্যোগে কিমান ক্ষতি কৰিব সেয়া বহুলাংশে আমাৰ প্রস্তুতি, পৰিকল্পনা আৰু সচেতনতাৰ ওপৰত নির্ভৰ কৰে। এখন দুর্যোগ-সহনশীল অসম গঢ়িবলৈ চৰকাৰৰ নীতি, বিজ্ঞান-প্রযুক্তি, স্থানীয় জ্ঞান, শিক্ষানুষ্ঠান আৰু জনসাধাৰণৰ অংশগ্রহণ আদি সকলোবোৰৰ সমন্বয় প্রয়োজন। বিশেষকৈ বান, গৰাখহনীয়া, ভূমিকম্প আৰু ভূমিস্খলনৰ দৰে বিপদৰ সন্মুখীন হোৱাৰ সময়ত অতি প্রয়োজন। অসমত দুর্যোগ ব্যৱস্থাপনাক কেৱল দুর্যোগৰ সময়ৰ কাম হিচাপে নলৈ উন্নয়ন পৰিকল্পনাৰ অবিচ্ছেদ্য অংশ হিচাপে গ্রহণ কৰিব লাগিব। ১৩ অক্টোব দিনটো সেয়েহে কেৱল এটা আন্তঃৰাষ্ট্রীয় দিৱস নহয়। এই দিৱসে দুর্যোগ আহিলে আমি কিমান সাহায্য দিব পাৰিম, সেইটোতকৈ দুর্যোগ অহাৰ আগতেই আমি কিমান ক্ষতি ৰোধ কৰিবলৈ সক্ষম হম তাৰ ওপৰতহে গুৰুত্ব দিব লাগে। এনে ধৰণৰ প্রচেষ্টাই নির্ধাৰণ কৰিব এখন সুৰক্ষিত, সচেতন আৰু দুর্যোগ সহনশীল অসমীয়া সমাজৰ ভৱিষ্যতৰ দিনবোৰ। (সংগৃহীত)

শিৱসাগৰ, অসম।
ম’বাইল ঃ ৯৯৫৭৮ ৯০৬৫৮

অধ্যাপক, অসম আন্দোলনৰ নেতা ড° ফটিক চন্দ্ৰ শর্মাক সম্বৰ্ধনা

অসম ভূমি সেৱা, নাথকুছি ঃ সংগ্ৰামী সতীৰ্থ মঞ্চ, টিহু-বজালীৰ উদ্যোগত যোৱা দেওবাৰে টিহুৰ মাখিবাহা নিবাসী শিক্ষাবিদ, অসম আন্দোলনৰ নেতা তথা বিশিষ্ট সমাজকর্মী ড° ফটিক চন্দ্ৰ শর্মাক শয্যাগত অৱস্থাত নিজ বাসগৃহত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনাত তেওঁক গামোচা, চেলেং, জাপি, শৰাই, গ্ৰন্থ, মানপত্ৰ আদি প্ৰদান কৰা হয়। তদুপলক্ষে অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে সংগ্ৰামী সতীৰ্থ মঞ্চ, টিহু-বজালীৰ ভাৰপ্ৰাপ্ত সভাপতি পৰমানন্দ দেৱ চৌধুৰীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সতীৰ্থ মঞ্চৰ ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক চক্ৰধৰ ঠাকুৰীয়াই। এই অনুষ্ঠানত সংগ্ৰামী সতীৰ্থ মঞ্চৰ তৰফৰ পৰা ক্ৰমে ধনজিৎ শর্মা, মহেন্দ্ৰ দাস, বিনোদ ৰয়, চন্দন শর্মা, বাবুল চন্দ্ৰ হালৈ,যাদৱ চন্দ্ৰ ৰয়, ৰমা শর্মা, গুণধৰ দাস, হৰেকৃষ্ণ মেধি, ধনঞ্জয় বৰপূজাৰী আদিয়ে গণ সংগ্ৰামৰ অগ্ৰণী নেতা ফটিক চন্দ্ৰ শর্মাৰ গুণানুকীর্তন কৰি তেওঁৰ সান্নিধ্যৰ কথা ৰোমন্থন কৰি বক্তব্য প্ৰদান কৰে। সম্বৰ্ধনা সভাখনত পৰিয়ালৰ তৰফৰ পৰা ক্ৰমে শর্মাচাৰৰ সহধর্মিণী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰাণু দেৱীয়ে অসম আন্দোলনৰ সময়ছোৱাত পৰিয়ালটোৱে পুলিচৰ নির্যাতনকে ধৰি পোৱা তিক্ত অভিজ্ঞতাৰ কথা বর্ণনা কৰাৰ লগতে তেওঁলোকৰ বাসগৃহত আন্দোলনকাৰী নেতা-কর্মীৰ উপস্থিতিৰ কথা উল্লেখ কৰে। ইয়াৰ পিছতে তেওঁৰ নাতি নিশান্ত ভাস্কৰে এটি গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি দিয়া ভাষণত



সংগ্ৰামী সতীৰ্থ মঞ্চ, টিহু-বজালীৰ কার্যকৰী সভাপতি তথা চামতাস্থিত কামৰূপ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ফটিক চন্দ্ৰ শর্মাই আন্দোলনটোৰ কথা কৈ স্মৃতিকাতৰ হৈ পৰে আৰু অসম চুক্তি ৰূপায়ণ নোহোৱাত আক্ষেপ প্ৰকাশ কৰে। তেঁও উপস্থিত সকলোকে ধন্যবাদ জনায়। সভাত তেওঁৰ জী বর্ণালী দেৱী, পুত্ৰ ৰাজীৱ লোচন শর্মা, জোঁৱাই ক্ৰমে গোলাপ শর্মা আৰু নৱজ্যোতি পাঠকেও বক্তব্য ৰাখে। এই সম্বৰ্ধনা অনুষ্ঠানত মঞ্চৰ সদস্য ৰমাকান্ত দাস, টিহু মৌজা সংগ্ৰামী মঞ্চৰ পূর্ণ দাস, অৰুণ কুমাৰ গোস্বামী আদি উপস্থিত থাকে।

ভ্ৰাম্যমাণৰ অভিনেত্ৰী চিত্ৰা গাংগুলী দেৱীলৈ 'উৎকর্ষ সেৱা বঁটা'



অসম ভূমি সেৱা, পাঠশালা ঃ ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰখ্যাত অভিনেত্ৰী চিত্ৰা গাংগুলী দেৱীলৈ আগবঢ়োৱা হৈছে ২০২৬ৰ 'ভ্ৰাম্যমাণ থিয়েটাৰ উৎকর্ষ সেৱা বঁটা'। মহীৰাম-ৰশ্মিবালা মজুমদাৰ সোঁৱৰণী এই বিশেষ বঁটাটো যোৱা ১০ অক্টোবৰত অভিনেত্ৰীগৰাকীক পাঠশালাৰ বাসগৃহত প্ৰদান কৰে ভ্ৰাম্যমাণ থিয়েটাৰ দর্শক ফ'ৰাম, অসমে। ফ'ৰামৰ সভাপতি অতুল মজুমদাৰ, সম্পাদক প্ৰণৱজ্যোতি বর্মন আৰু সাংগঠনিক সম্পাদক কল্প তালুকদাৰ সন্মিলিত এটা প্ৰতিনিধি দলে অভিনেত্ৰীগৰাকীৰ পাঠশালাৰ ২ নং ৰার্ডৰ বাসস্থানত উপস্থিত হৈ এই সন্মান যাচে। চিত্ৰা গাংগুলী দেৱীয়ে ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসত বহুকেইটা অভিলেখ সৃষ্টি কৰিছে। বিশেষকৈ 'নটৰাজ থিয়েটাৰ'ৰ সৈতে দীর্ঘদিন ধৰি জড়িত থাকি তেওঁ এক অনন্য সেৱা আগবঢ়াই আহিছে। 'বেউলা' নাটকত বেউলাৰ চৰিত্ৰত প্ৰায় ৭০০বাৰ অভিনয় কৰি তেওঁ দর্শকৰ মন জয় কৰাৰ লগতে এক বিৰল অভিলেখ গঢ়িবলৈ সক্ষম হৈছে।

অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত 'মৎস্য অৱতাৰ-চাৰি বেদ উদ্ধাৰ' ভাওনা পৰিৱেশন

গুৱাহাটী ঃ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নাট্য আৰু চলচ্চিত্ৰ সমাজ মুখাৰ উদ্যোগত যোৱা ৯ অক্টোবৰত মহাবিদ্যালয়ৰ পাইৰ'কাইনেচিছ ফিল্ডত দ্বিতীয়বাৰৰ বাবে 'মৎস্য অৱতাৰ-চাৰি বেদ উদ্ধাৰ' শীর্ষক ভাওনা প্ৰদর্শন কৰা হয়। এই ভাওনাত ভগৱান বিষ্ণুৰ মৎস্য অৱতাৰৰ কাহিনী আৰু বেদ উদ্ধাৰৰ ঐশ্বৰিক আখ্যান সুন্দৰভাৱে উপস্থাপন কৰা হয়। ভাওনাখনৰ আটাইকেইটা চৰিত্ৰতে অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অভিনয় কৰে। অনুষ্ঠানটিত কমলাবাৰী সত্ৰৰ



শিল্পীসকলে পৰম্পৰাগত গায়ন-বায়ন পৰিৱেশন কৰি ভাওনাখনক অধিক আকর্ষণীয় আৰু আধ্যাত্মিক কৰি তোলে। অনুষ্ঠানটোৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে হিমাংশু প্ৰসাদ দাস। অসমৰ চহকী সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰ কৰাৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমূল্য সাংস্কৃতিক তথা ধর্মীয় অৱদানৰ সৈতে নৱপ্ৰজন্মক পৰিচয় কৰাই দিয়াই এই অনুষ্ঠানৰ অন্যতম মূল উদ্দেশ্য। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সহযোগীসকলৰ সামূহিক প্ৰচেষ্টা, নিষ্ঠা আৰু উৎসাহেৰে অনুষ্ঠানটিয়ে অসমীয়া পৰম্পৰা আৰু সাংস্কৃতিক চেতনাৰ এক সুন্দৰ নিদর্শন দাঙি ধৰে। এই ভাওনাই কেৱল এক ধর্মীয় আখ্যানৰ উপস্থাপনতে সীমাবদ্ধ নাথাকি নৱপ্ৰজন্মৰ মাজত অসমৰ ঐতিহ্য, পৰম্পৰা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাংস্কৃতিক দর্শনক জীয়াই ৰখাৰ এক প্ৰয়াস হিচাপে বিশেষ তাৎপর্য বহন কৰে।

ক্ৰীড়াগ্ৰামত অসম গৌৰৱ, স্বর্ণজয়ী বক্সাৰ লাভলীনা বৰগোহাঁইক সম্বৰ্ধনা

গুৱাহাটী ঃ অসম গৌৰৱ তথা অলিম্পিক পদক বিজয়ী ভাৰতীয় বক্সাৰ লাভলীনা বৰগোহাঁইক চলিত ২০২৬ত জাপানত অনুষ্ঠিত এছিয়ান গেমছত স্বর্ণ পদক অর্জন কৰি দেশ তথা ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে যোৱা দেওবাৰে গুৱাহাটীৰ ক্ৰীড়াগ্ৰামত আদৰণি জনোৱাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত আন কেইবাটাও গোটে স্বর্ণজয়ী বক্সাৰগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি কল্যাণ সমিতিৰ সভানেত্ৰী অন্না হাজৰিকা বৰাই লাভলীনা বৰগোঁহাই তেওঁলোকৰ সহ-আৱাসী হোৱাটো ক্ৰীড়াগ্ৰামৰ সমূহ বাসিন্দাৰ বাবে অত্যন্ত আনন্দ



আৰু গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি দিয়া ভাষণ প্ৰসংগত ক্ৰীড়াগ্ৰামৰ আৱাসীসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰি লাভলীনা বৰগোঁহায়ে কয় যে ক্ৰীড়াগ্ৰাম তেওঁৰ অতি প্ৰিয় ঠাইসমূহৰ ভিতৰত অন্যতম, য'ত তেওঁ জিৰণি ল'বলৈ আৰু নিজকে সতেজ কৰি তুলিবলৈ এক শান্ত-নিৰিবিলি পৰিৱেশ লাভ কৰে। তেওঁক আগবঢ়োৱা মৰম, আশীর্বাদ আৰু আন্তৰিকতাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰি লাভলীনাই কয় যে আৱাসীসকলৰ এই মৰম আৰু উৎসাহে তেওঁক নতুন সপোন দেখিবলৈ আৰু ক্ৰীড়া জীৱনত অধিক বৃহৎ সাফল্য অর্জনৰ লক্ষ্যৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। অনুষ্ঠানত আৱাসী প্ৰশান্ত গোস্বামী আৰু লাভলীনাৰ প্ৰথম গুৰু পদুম বড়োৱে ভাষণ প্ৰদান কৰি লাভলীনা সম্পর্কত অৱলোকন কৰে। ক্ৰীড়াগ্ৰাম আৱাসিক কল্যাণ সমিতিৰ সভানেত্ৰী অন্না হাজৰিকা বৰা আৰু সম্পাদক গোলাপ গগৈৰ লগতে অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী গৌতম বৰা, লাভলীনাৰ মাজত বক্সিঙৰ সম্ভাৱনা চিনাক্ত কৰি তেওঁক এই খেলবিধৰ বাবে নির্বাচন কৰাৰ জৰিয়তে তেওঁৰ বক্সিং যাত্ৰাৰ আৰম্ভণিত গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰা প্ৰশিক্ষক পদুম বড়ো, কল্যাণ সমিতিৰ প্ৰাক্তন সভাপতিদ্বয় ক্ৰমে অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত আৰক্ষী মহাপৰিদর্শক মৃদুলানন্দ শর্মা, অৱসৰপ্ৰাপ্ত কর্ণেল ৰামাকান্ত বর্মন, প্ৰাক্তন সম্পাদক প্ৰশান্ত গোস্বামী আৰু ক্ৰীড়াগ্ৰামৰ ভালেসংখ্যক বাসিন্দা উপস্থিত থাকে। লাভলীনা বৰগোঁহাইক জনোৱা এই সম্বৰ্ধনাই ক্ৰীড়াগ্ৰামৰ বাসিন্দাসকলৰ তেওঁৰ প্ৰতি থকা মৰম, আন্তৰিকতা আৰু গৌৰৱবোধৰ প্ৰতিফলন ঘটায়। তেওঁৰ ক্ৰীড়া সাফল্যই নৱপ্ৰজন্মক ক্ৰীড়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে উৎকর্ষ সাধনৰ দিশত আগবাঢ়িবলৈ আৰু দেশৰ লগতে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ অনুপ্ৰাণিত কৰি আহিছে।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah